# সুকন্যা

দেওবৰীয়া


ভিতৰৰ পৃষ্ঠাত


- কেইবা শতিকা ঐতিহ্যৰে সমৃদ্ধ বাইহাটা শিৱ মন্দিৰ
- তাঁতশালেৰে মইনাগুৰিৰ জনগোষ্ঠীয় মহিলাৰ স্বাৱলম্বিতাৰ সংগ্ৰাম
- পৰিচৰ্যা কেন্দ্ৰ স্থাপনেৰে অনন্য কৰ্ম
- গল্প ঃ জীৱন অনুপম
- অস্তিত্বৰ সংকটত কাছ
- ৰেচিপি ঃ মূলাৰে শ'ল মাছ



নিয়মীয়া বাৰ্তা ◻ দেওবাৰ, ১৫ ডিচেম্বৰ ২০২৪ www.niyomiyabarta.com




# অসমৰ বাৰেৰহণীয়া লোকসংগীত একক আৰু অনন্য

## বিশিষ্ট শিল্পী ড° অনিমা চৌধুৰী

**'দিখৌ** নৈৰ পাৰৰে/কঁহুৱাই বিনাই/নাই আজি সেই দিন নাই...', 'এ প্ৰাণ গোপাল...' আজিও শ্ৰোতাৰ মুখে মুখে উচ্চাৰিত এনে কেইবাটাও অতি জনপ্ৰিয় গীতৰ চিনাকি শিল্পী তেওঁ। যাৰ নামেই পৰিচয়। তেওঁ ড° অনিমা চৌধুৰী। ১৯৫৩ চনৰ ২৮ ফেব্ৰুৱাৰী তেওঁৰ জন্মদিন। জন্ম স্থান নলবাৰী জিলাৰ পকোৱা। পিতৃ প্ৰয়াত দণ্ডীৰাম চৌধুৰী। মাতৃ প্ৰয়াত হেমলতা চৌধুৰী। সাতগৰাকী ককাই-ভনীৰ মাজত অনিমা চৌধুৰী পঞ্চম সন্তান। আন ভাতৃ-ভগ্নীসকল ক্ৰমে ড° দিলীপ কুমাৰ চৌধুৰী, প্ৰবীণ কুমাৰ চৌধুৰী, বিজয়লক্ষ্মী অধিকাৰী, ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, ড° মিনতি চৌধুৰী আৰু মৃণাল কুমাৰ চৌধুৰী। ড° অনিমা চৌধুৰীৰ স্বামী কমল চৌধুৰী অসম চৰকাৰৰ উদ্যোগ বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক। তেওঁৰ কন্যা অপৰাজিতা চৌধুৰী আৰু পুত্ৰ প্ৰীতম চৌধুৰী। সম্প্ৰতি গুৱাহাটীৰ গড়চুকত বসতি কৰা ড° চৌধুৰীয়ে প্ৰায় প্ৰতিদিনে পুৱাৰ ভাগত ৰেডিঅ'ৰ অনুষ্ঠান শুনে। অৱসৰৰ সময়ত গান শুনে, চিনেমা চায়, ফুলৰ পৰিচৰ্যা কৰে। ছয়গাঁও কলেজৰ পৰা বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰা অনিমা চৌধুৰীৰ অসমৰ সংগীতৰ ক্ষেত্ৰত আছে ৰাজ্যজুৰি খ্যাতি। সংগীতৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ড° চৌধুৰীলৈ আইদেউ সন্দিকৈ শিল্পী বঁটা, এনাজৰী বঁটা, ভবেন বৰুৱা-মহানন্দ শৰ্মা সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা, মহীয়সী আৰু গৰীয়সী বঁটা, অসমৰ প্ৰাচীনতম সৰ্ববৃহৎ ৰাজহুৱা শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ শতবাৰ্ষিকী যজ্ঞ মহোৎসৱ জীৱনজোৰা সাধনা বঁটা, কিৰণ লস্কৰ সোঁৱৰণী হংসধ্বনি সংগীত ৰত্ন বঁটা, সুৰধ্বনি শিল্পী বঁটা, শিল্পীপ্ৰাণ বঁটা আদিকে ধৰি ভালেমান বঁটা-সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। বয়সৰ জোখাৰে ভালেখিনি আগবাঢ়িছে যদিও সংগীতক লৈ আজিও সমানেই সক্ৰিয়, তৎপৰ। এইগৰাকী স্বনামধন্য দৰদী শিল্পী অনিমা চৌধুৰীৰ সৈতে আজি এক আছুতীয়া কথোপকথন—

**■ অনিমা চৌধুৰী। আপোনাৰ নামেই চিনাকি। এগৰাকী যশস্বী কণ্ঠশিল্পী হিচাপে ৰাজ্যজুৰি আপোনাৰ পৰিচিতি। সংগীতৰ সৈতে আপুনি বাৰু প্ৰথমে কেনেদৰে যুক্ত হৈ পৰে? আৰম্ভণিৰ পৰা সংগীত জগতত প্ৰতিষ্ঠিত হোৱাৰ সুদীৰ্ঘ জয়যাত্ৰা সম্পৰ্কত অলপ বহলাই ক'ব নেকি?**

ঃ মোৰ সংগীত জীৱনৰ পাতনিৰ বিষয়ে ক'বলৈ হ'লে একেবাৰে শৈশৱলৈ উভতি যাব লাগিব। জিলা কাৰাগাৰৰ বিষয়া হিচাপে মোৰ দেউতা প্ৰয়াত দণ্ডীৰাম চৌধুৰী তেতিয়া নগাঁৱত। দেউতাৰ চাকৰিসূত্ৰে পৰিয়ালসহ আমিও নগাঁৱৰ ফৌজদাৰীপট্টিত। তাতেই মই স্থানীয় বিদ্যালয়ত প্ৰথম শ্ৰেণীত নামভৰ্তি হৈছিলোঁ। সমান্তৰালভাৱে নগাঁৱৰ সেই সময়ৰ সংগীতৰ বিখ্যাত সাধক সুশীল বেনাৰ্জীৰ সংগীতৰ বিদ্যালয়তো নামভৰ্তি হৈছিলোঁ। আচলতে সংগীতৰ প্ৰতি সৰুৰে পৰাই থকা গভীৰ আন্তৰিকতা-ধাউতি দেখিয়েই দেউতাই মোক সংগীতৰ বিদ্যালয়ত নামভৰ্তি কৰাই দিছিল। সংগীতৰ শিক্ষাৰ সেয়া আছিল মোৰ প্ৰথম ঢাপ। লগতে আৰম্ভণি। সুশীল বেনাৰ্জীৰ ওচৰত মই শাস্ত্ৰীয় সংগীতৰ শিক্ষা আৰম্ভ কৰিছিলোঁ। পৰৱৰ্তী পৰ্যায়ত মই তেতিয়া দ্বিতীয় শ্ৰেণীত। ফৌজদাৰী পট্টিৰ 'পুলিচ ৰিজাৰ্ভ'ৰ দুৰ্গা পূজাৰ সাংস্কৃতিক মঞ্চ। আৰু তাতেই মই জীৱনৰ প্ৰথম মঞ্চত উঠি গান পৰিৱেশন কৰিছিলোঁ। সেয়া পঞ্চাশৰ দশকৰ কথা। 'ৰাম নাম ৰস...' শীৰ্ষক ভজন পৰিৱেশন কৰিছিলোঁ ফৌজদাৰী পট্টিৰ দুৰ্গা পূজাৰ মঞ্চত। সেই সময়তে মঞ্চত প্ৰথম গীত পৰিৱেশন কৰাৰ স্মৃতি ৰোমন্থন কৰি মই আজি যথেষ্ট আৱেগিক হৈ পৰিছোঁ। বহুত ভাল লাগিছে। আৰু তাৎপৰ্যপূৰ্ণ কথাটো হ'ল সেই গান শুনি বহু লোকে মোক প্ৰশংসা কৰি আগলৈ আৰু ভালকৈ সংগীত পৰিৱেশন কৰিবলৈ উৎসাহিত কৰিছিল। দেউতাৰ আগতো বহুগৰাকী লোকে মোৰ সংগীতৰ উচ্চ প্ৰশংসা কৰি গানৰ ধাৰাবাহিকতা ধৰি ৰাখিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। অৱশ্যে দেউতা নিজেও সংগীতৰ অনুৰক্ত আছিল। গতিকে দেউতাৰ পৰা সমুচিত সঁহাৰিয়েই লাভ কৰিছিলোঁ। ইয়াৰ পিছত নগাঁৱত অনুষ্ঠিত হৈছিল 'অসম সংগীত সন্মিলন'। সঠিক চন-তাৰিখ মোৰ মনত পৰা নাই। তাত সেই সময়ৰ বিখ্যাত শাস্ত্ৰীয় সংগীত শিল্পীৰ যুটি ক্ৰমে কলকাতাৰ এ কানন আৰু মালবিকা কানন উপস্থিত আছিল আৰু শাস্ত্ৰীয় সংগীত পৰিৱেশন কৰিছিল। তাত প্ৰতিযোগিতাৰ কনিষ্ঠ শাখাত মই বনগীত পৰিৱেশন কৰিছিলোঁ। আৰু মই প্ৰথম পুৰস্কাৰ লাভ কৰিছিলোঁ। পৰৱৰ্তী পৰ্যায়ত নগাঁৱৰে নেহেৰুবালিত ভোগালী বিহু উপলক্ষে অনুষ্ঠিত হৈছিল সংগীত প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ 'খ' শাখাত শ্ৰেষ্ঠ প্ৰতিযোগী হৈছিলোঁ মই। তাত মই 'খেয়াল' পৰিৱেশন কৰিছিলোঁ। মোৰ 'খেয়াল' পৰিৱেশনত সন্তুষ্ট হৈ অসমৰ প্ৰথিতযশা সংগীত শিল্পী পাৰবিন চুলতানাৰ পিতৃ ইক্ৰামূল মজিদে সেই সময়তে ১০ টকা পুৰস্কাৰ আগবঢ়াইছিল। তেতিয়া ১০ টকাৰ বহু মূল্য। সেই সময়ত মই চতুৰ্থ শ্ৰেণীত পঢ়ি আছিলোঁ। এনেদৰে সংগীতৰ জগতখনত মই লাহে লাহে আগবাঢ়ি গৈ আছিলোঁ। এই মুহূৰ্তত মোৰ আৰু এটা কথা মনত পৰিছে। এবাৰ আমাৰ দেউতাৰ সহকৰ্মী প্ৰফুল্ল নন্দীৰ ঘৰত অনুষ্ঠিত হৈছিল এক সুমধুৰ সংগীতৰ 'জলসা'। অৱশ্যে তাত কেৱল পৰিয়ালৰ লোকখিনিহে উপস্থিত আছিল। কিন্তু সেই 'জলসা'ত উপস্থিত আছিল পাৰবিন চুলতানা, তেওঁৰ পিতৃ ইক্ৰামূল মজিদ আৰু খগেন মহন্ত। আৰু তাতো মই সংগীত পৰিৱেশন কৰিছিলোঁ। পৰৱৰ্তী পৰ্যায়ত আমাৰ দেউতাৰ বদলি হয়। আমি পৰিয়ালটো গুৱাহাটীলৈ আহিবলগীয়া হয়। গুৱাহাটীলৈ আহি পাৰবিন চুলতানাৰ পিতৃৰ পৰামৰ্শক্ৰমে মই সংগীতৰ সাধক হীৰেন শৰ্মাৰ ওচৰত সংগীতৰ শিক্ষা লৈছিলোঁ। তেতিয়া মই পঞ্চম শ্ৰেণীৰ ছাত্ৰী। আৰু তেতিয়াই 'পশ্চিম গুৱাহাটী সন্মিলনী'ত প্ৰথম গীত গাইছিলোঁ। আকৌ মোৰ খুৰা মদন চৌধুৰী গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ৰ কথা। তেতিয়া তেওঁলোকৰ বিভাগৰ কিবাকিবি অনুষ্ঠানত মোক গীত গাবলৈ খুৰাই মোক লৈ গৈছিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুষ্ঠানত গীত গাইছিলোঁ যদিও তাত কোন কোন বিশিষ্ট লোক বা অধ্যাপক উপস্থিত আছিল সেয়া মোৰ মনত নাই। অৱশ্যে সেই সময়ত মই যথেষ্ট সৰু আছিলোঁ। এনেদৰে ঢাপে ঢাপে আগবাঢ়ি পৰৱৰ্তী পৰ্যায়ত চিনেমাত গীত গালোঁ। 'গ্ৰামোফোন ৰেকৰ্ড'ত গীত বাণীবন্ধন কৰিলোঁ আৰু ক্ৰমে ৰাইজে মোক আদৰি ল'বলৈ আৰম্ভ কৰিলে। মোৰ সংগীতৰ এই সুদীৰ্ঘ যাত্ৰাৰ আৰু বহু কথাই আছে। কিন্তু সকলো কথা ইমান কম সময়ত কৈ ওৰ পেলোৱাটো কঠিন। আৰু কিছু কথা পাহৰি গৈছোঁ। তথাপি সংগীতৰ সোণালী যাত্ৰাৰ কিছু কথা ক'লোঁ। কথাখিনি ক'বলৈ পাই মই নিজেও যথেষ্ট আহ্লাদিত হ'লোঁ।

**■ আপুনি অসমৰ কেইবাখনো চলচ্চিত্ৰত কণ্ঠ নিগৰাইছে। চলচ্চিত্ৰৰ সংগীত আৰু আন গীতৰ মাজত কিবা বিশেষ প্ৰভেদ আছে নেকি?**

ঃ চলচ্চিত্ৰৰ গান সাধাৰণতে একোটা দৃশ্য অথবা চৰিত্ৰক লৈ গাবলগীয়া হয়। তাত কণ্ঠৰ প্ৰকাশ কিছু সুকীয়া হ'ব লাগে। মই প্ৰথম চলচ্চিত্ৰত গীত গাইছিলোঁ 'মুকুতা' ছবিখনত। সেই ছবিখনত গোৱা 'এ প্ৰাণ গোপাল...' শীৰ্ষক গানটোৰ জৰিয়তে অসমৰ ৰাইজে মোক আদৰি লৈছিল। এই গীতটো আজিও সমানেই সমাদৃত। এই গীতটোত মোৰ কণ্ঠ এগৰাকী শিশুৰ ওঁঠত দিয়া হৈছিল। স্বাভাৱিকতে মোৰ কণ্ঠও তেনেকৈ হ'বলগীয়া হৈছিল। অৰ্থাৎ দৃশ্য বা চৰিত্ৰৰ দাবী অনুসৰিহে কণ্ঠ নিগৰাবলগীয়া হয়। কিন্তু অন্য গানত গীতৰ কথাৰ ওপৰত ভিত্তি কৰিহে গোৱা হয়। গতিকে চলচ্চিত্ৰ আৰু আন গীতৰ মাজত কিছু তফাৎ থকাটো স্বাভাৱিক।

**■ আপুনি প্ৰথম অৱস্থাত যি পৰিৱেশত সংগীত শিকিছিল আৰু পৰিৱেশন কৰিছিল, তাৰ লগত আজিৰ পৰিৱৰ্তিত পৰিৱেশ-পৰিস্থিতিত সংগীতৰ অৱস্থান সম্পৰ্কত তুলনামূলকভাৱে আপোনাৰ মনোভাব কি?**

ঃ আগতে গায়ক-গায়িকা, গীতিকাৰ, সুৰকাৰ আদিৰ সংখ্যা যথেষ্ট কম আছিল। সেই সময়ত সংগীত পেছা নাছিল। নিচা আছিল। গান ভাল পায় বাবেহে তেতিয়া গীত গাইছিল। আকৌ সেই সময়ত যিসকলে গীত গাইছিল, সেইসকলৰ মাজত বেছিভাগৰেই চাকৰি আছিল। কেৱল গানৰ প্ৰতি থকা গভীৰ আন্তৰিকতা-অনুৰাগৰ বাবেহে গীত গাইছিল। সেয়ে মন-প্ৰাণ দি গভীৰ আন্তৰিকতাৰে গান পৰিৱেশন কৰা হৈছিল তেতিয়া। কিন্তু আজিৰ পৰিৱৰ্তিত অৱস্থাত সংগীতক বৃত্তি হিচাপে লোৱাৰ পৰিৱেশ আহি পৰিছে। প্ৰথম অৱস্থাত আমি যেতিয়া সংগীত পৰিৱেশন কৰিছিলোঁ, তেতিয়া 'আকাশবাণী' আৰু 'ৰেকৰ্ড'যোগে গীত পৰিৱেশন কৰা 'মাধ্যম' আছিল। আনহাতে, উল্লিখিত দুয়োটা 'মাধ্যম'তে গীত গাবলৈ হ'লে প্ৰথমতে এটা কণ্ঠ পৰীক্ষা দিবলগীয়া হৈছিল। পৰীক্ষাত স্বীকৃত হ'লে 'আকাশবাণী' বা 'ৰেকৰ্ড'ত গীত বাণীবন্ধন কৰাৰ সুযোগ পাইছিলোঁ। সেয়ে প্ৰতিগৰাকী শিল্পীয়ে অত্যন্ত 'ছিৰিয়াছ'ভাৱে গান গাবলগীয়া হৈছিল। পিছত দিন বাগৰাৰ লগে লগে মঞ্চ বিহুৰ আগমন ঘটিল। ১৯৫২ চনত গুৱাহাটীৰ লতাশিলত প্ৰথম মঞ্চ বিহু অনুষ্ঠিত হৈছিল। বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ লগতে পাশ্চাত্যৰ প্ৰভাৱেও আমাৰ গানক প্ৰভাৱিত কৰিবলৈ ধৰিলে। যাৰ বাবে অসমীয়া গানসমূহৰো লাহে লাহে পৰিৱৰ্তন হ'বলৈ ধৰিলে। এতিয়াৰ শিল্পীসকলে দৰ্শকৰ মনোৰঞ্জনৰ বাবেহে গীত গাবলৈ বাধ্য। অন্যথা তেওঁ এলাগী হৈ ৰ'ব। বাদ্যযন্ত্ৰসমূহৰো পৰিৱৰ্তন হ'ল। আজিকালি বহু বাদ্যযন্ত্ৰৰ পয়োভৰ ঘটিছে। আমাৰ দিনত হাৰমনিয়াম-তবলাই আছিল প্ৰধান বাদ্য। অৱশ্যে বিজ্ঞান-প্ৰযুক্তিৰ উন্নতিৰ ফলত শিল্পীসকলৰ কিছু সুবিধা নিশ্চিতভাৱে হৈছে।

**■ আপোনাৰ আদৰ্শ শিল্পী সম্পৰ্কত কি ক'ব?**

ঃ লতা মংগেশকাৰ আৰু মহম্মদ ৰফীৰ গান মোৰ অত্যন্ত প্ৰিয়। গভীৰ অনুৰাগী তেওঁলোকৰ গানৰ। লতা মংগেশকাৰৰ ব্যক্তিত্ব, গায়নশৈলী, সুৰ-কণ্ঠ একক-অনন্য। যাৰ বাবে মই তেওঁৰ অনুৰাগী। আকৌ ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, দীপালী বৰঠাকুৰো মোৰ বাবে আদৰ্শ। ভূপেন হাজৰিকাৰ প্ৰতিটো গানেই অত্যন্ত অৰ্থপূৰ্ণ। মোৰ বহুত ভাল লাগে। গানৰ জৰিয়তে মই সমাজলৈ সদায় এটা বাৰ্তা দিবলৈ চেষ্টা কৰোঁ। সেয়ে গানৰ কথাৰ ওপৰত মই বেছি গুৰুত্ব দিওঁ।

**■ সংগীত শিল্পী এগৰাকী সফল হ'বলৈ হ'লে কি বিশেষ গুণৰ প্ৰয়োজন?**

ঃ সংগীতৰ ক্ষেত্ৰত সাফল্য আৰ্জন কৰিবলৈ গভীৰ সাধনা লাগিব। একেদৰে আগ্ৰহ, নিষ্ঠা আৰু একাগ্ৰতাও লাগিব। ইয়াৰ উপৰি সমাজৰ প্ৰতি দায়বদ্ধতাও থাকিব লাগিব।

**■ আপুনি সান্নিধ্য লাভ কৰা বৰণীয় শিল্পীসকলৰ বিষয়ে কিছু কথা ক'ব নেকি? লগতে তেওঁলোকৰ কোনোবাগৰাকীৰ সৈতে কিবা আমোদজনক ঘটনা ঘটিছে নেকি?**

ঃ মোৰ সমগ্ৰ সংগীত জীৱনৰ যাত্ৰাপথত বহুকেইগৰাকী বৰণীয় শিল্পীৰ সান্নিধ্য লাভ কৰাৰ সৌভাগ্য হৈছিল। চিন্ময় লাহিড়ীৰ লগতে আমজাদ আলী খান, শুভলক্ষ্মী বৰুৱা, পাৰবিন চুলতানাকে ধৰি ভালেকেইগৰাকী যশস্বী সংগীত শিল্পীৰ সান্নিধ্য লাভ কৰিছিলোঁ। পাৰবিন চুলতানাই মোক তানপুৰা বজাবলৈ প্ৰথম শিকাইছিল। সেই কথা মনত পৰিলে মোৰ মনটো আজিও আনন্দৰে ভৰি পৰে। ইয়াৰ উপৰি 'হস্তীৰ কন্যা, হস্তীৰ কন্যা...'কে ধৰি ৪টা গোৱালপাৰীয়া লোকগীত মোক শিকাইছিল প্ৰতিমা পাণ্ডে বৰুৱাই। ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, খগেন মহন্ত আদিকো মই বিশেষভাৱে লগ পোৱাৰ সৌভাগ্য হৈছিল। প্ৰবীণ শিল্পী ৰুণুমী ঠাকুৰৰ সান্নিধ্যও মই লাভ কৰিছিলোঁ। তেওঁৰ ওচৰতো মই গীত শিকিছিলোঁ। সংগীত জীৱনৰ যাত্ৰাপথত এনেকৈ আৰু বহুতো শিল্পীৰ সান্নিধ্য লাভ কৰিছিলোঁ। আৰু এনে বহু শিল্পীৰ সৈতে মাজে-সময়ে কিছু আমোদজনক ঘটনা ঘটিছে। এই প্ৰসংগত মোৰ এটা ঘটনাৰ কথা মনলৈ আহিছে। আজিৰ পৰা বহু বছৰ আগৰ ঘটনা। ঘটনাটো জুলাই মাহৰ। তেতিয়া আমাৰ ইয়াত যথেষ্ট গৰম। তেনে সময়তে মই এবাৰ টাৱাঙলৈ গৈছিলোঁ। 'অল ইণ্ডিয়া ৰেডিঅ' টাৱাঙ'ৰ উদ্যোগত তাত আয়োজন কৰা হৈছিল এক সংগীতানুষ্ঠান। লগত গৈছিল মোৰ স্বামী কমল চৌধুৰী, খগেন মহন্ত, অৰ্চনা মহন্ত আৰু অঞ্জু দেৱীসহ বাদ্যযন্ত্ৰীৰ দল। আমি তেজপুৰৰ পৰা এখন ট্ৰাকত উঠি গৈছিলোঁ। ক্ৰমে আমি যিমানেই টাৱাঙৰ ওচৰ চাপিছিলোঁ, সিমানেই ঠাণ্ডা লাগি আহিছিল। অজ্ঞাতবশতঃ আমি গৰম কাপোৰ নিয়াই নাছিলোঁ। অৱশেষত ঠাণ্ডাৰ প্ৰকোপ ইমানেই বৃদ্ধি পাবলৈ ধৰিলে যে আমি নিৰুপায় হৈছিলোঁ। বাধ্য হৈ পথৰ কাষৰ এখন দোকানৰ পৰা লুঙী কিনিছিলোঁ। আৰু তাকে গাত মেৰিয়াই ঠাণ্ডা নিবাৰণৰ চেষ্টা কৰিছিলোঁ। সেই কথা মনত পৰিলে আজিও আমাৰ হাঁহি উঠে। টাৱাঙৰ অনুষ্ঠানত এৰী চাদৰ আৰু ছুৰেটাৰেৰে আমাক সন্মানিত কৰিছিল। আৰু ছেগ বুজি আমি এৰী চাদৰ লৈ তাৰ ওপৰত ছুৰেটাৰ পিন্ধিছিলোঁ শীতৰ প্ৰকোপ কমাবলৈ। আৰু এৰী চাদৰৰ ওপৰত ছুৰেটাৰ পিন্ধা কথাটো সিদিনা অনুষ্ঠানৰ মাজতে খগেন মহন্তই ৰগৰ কৰি ৰাইজৰ আগত কৈ দিলে। আমাৰ কাণ্ডত ৰস পাই উপস্থিত সকলোৱে গিৰ্জনি মাৰি খুব হাঁহিলে। এনেদৰে সৰু-বৰ বহুতো আমোদজনক ঘটনা আৰু বহুতো আছে। তাৰ মাজেৰে উল্লিখিত ঘটনাটো মনলৈ অহা বাবে ক'লোঁ।

**■ নতুন কণ্ঠশিল্পীসকলৰ প্ৰতি আপোনাৰ পৰামৰ্শ কি?**

ঃ এতিয়াৰ নতুন কণ্ঠশিল্পীসকলৰ নিশ্চিতভাৱে বহু প্ৰতিভা আছে। তথ্য-প্ৰযুক্তিৰ উন্নয়নৰ ফলত তেওঁলোকে সুবিধাও বহু পাইছে। নৱপ্ৰজন্মৰ বহু প্ৰতিভাসম্পন্ন শিল্পীয়ে সঠিক দিশেৰে অগ্ৰসৰো হৈছে। নিশ্চিতভাৱে এয়া আমাৰ সকলোৰে বাবে শুভবাৰ্তা। কিন্তু এইক্ষেত্ৰত কিছুসংখ্যকে আকৌ পশ্চিমৰ সংস্কৃতিৰ অন্ধ অনুকৰণ কৰাৰ চেষ্টা কৰা পৰিলক্ষিত হৈছে। এই বৈপৰিত্যখিনি মুঠেই গ্ৰহণযোগ্য নহয়। ইয়ে আমাৰ সংস্কৃতিক ক্ষতিগ্ৰস্ত কৰিব। এইক্ষেত্ৰত আমাৰ সকলোৰে মাজত লাগে সচেতনতা। চিধাকৈ ক'বলৈ হ'লে আমাৰ অসমৰ বাৰেৰহনীয়া সংস্কৃতিৰ অৱদানৰ মূল শিপাডাল পাহৰিব নালাগে। শংকৰদেৱ, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ দৰে বহুকেইগৰাকী বৰণীয় লোকে গঢ়ি থৈ যোৱা সংস্কৃতিৰ মূল ভেটিটো আজিৰ প্ৰজন্মই সুদৃঢ়কৈ ধৰি ৰাখিব লাগিব। সেই মূল ভেটিটোক ৰক্ষা কৰি ওপৰে ওপৰে কিছু পৰিৱৰ্তন কৰি অসমীয়া সংস্কৃতি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰক নৱপ্ৰজন্মৰ শিল্পীসকলে। দৰাচলতে আমাৰ সংস্কৃতিক আগুৱাই নিয়াৰ দায়িত্ব উঠি অহা নতুন শিল্পীসকলৰ ওপৰতে ন্যস্ত থাকিব। প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল-সংবেদনশীল হোৱা উচিত।

**■ সংগীত পৰিৱেশনৰ ক্ষেত্ৰত বাদ্যযন্ত্ৰৰ প্ৰয়োগ অপৰিহাৰ্য। কিন্তু আজিকালি বাদ্যযন্ত্ৰ ব্যৱহাৰৰ নামত কিছু কাণ তাল মৰা শব্দ সৃষ্টিকাৰী যন্ত্ৰৰ পয়োভৰ দেখা যায়। এইক্ষেত্ৰত আপোনাৰ মতামত কি?**

ঃ হাৰমনিয়াম, তবলাতে সীমাবদ্ধতা আছিল বাদ্যৰ। কিন্তু আজি সৃষ্টি হৈছে এক বিপৰীত পৰিস্থিতি। পৰিৱৰ্তিত পৰিৱেশ-পৰিস্থিতিয়েই ইয়াৰ ঘাই কাৰণ বুলি ক'ব লাগিব। দৰাচলতে ভাৰতীয় সংগীত অন্তৰ্মুখী। ইয়াত বাদ্যযন্ত্ৰৰ প্ৰাধান্যতা কম আছিল। গায়কীক প্ৰাধান্যতা দিয়া হৈছিল ভাৰতীয় সংগীতত। আকৌ পাশ্চাত্য সংগীত হ'ল বহিৰ্মুখী। এই সংগীতৰ ক্ষেত্ৰত দৰ্শকৰ মনোৰঞ্জনেহে প্ৰাধান্যতা পায়। দৰ্শকৰ দাবী অনুসৰিহে সাধাৰণতে সংগীত পৰিৱেশিত হয়। এতিয়া সময়ৰ পৰিৱৰ্তনৰ ফলত সংগীততো পাশ্চাত্য প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছে। ক্ৰমাগতভাৱে পাশ্চাত্যৰ প্ৰভাৱ বৃদ্ধি পোৱাত বহিৰ্মুখী সংগীতৰ বাবে বৃদ্ধি পাইছে বাদ্যযন্ত্ৰৰ পয়োভৰ।

**■ আমি জনা মতে আপুনি বিভিন্ন প্ৰকাৰৰ অসমীয়া সংগীতৰ উপৰি আন ভাষাতো সংগীত পৰিৱেশন কৰিছে। এই বিষয়ে অলপ ক'ব নেকি?**

ঃ হয়, মই বিভিন্ন প্ৰকাৰৰ অসমীয়া গীত গাইছোঁ। তাৰ ভিতৰত অসমীয়া আধুনিক গীত অন্যতম। ইয়াৰ উপৰি মই কামৰূপী লোকগীত, গোৱালপাৰীয়া লোকগীত, টোকাৰী গীত, বৰগীত, বিয়াগীত, বনগীত, বিহুগীত, জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, লক্ষ্মীনাথ বেজবৰুৱাৰ গীত, নামঘোষা, অসমীয়া ভজন আদিত কণ্ঠদান কৰিছোঁ। গজলো গাইছোঁ মই। ভাষা হিচাপে মই অসমীয়াৰ লগতে ৰাভা, হিন্দী, ৰাজস্থানী আৰু বঙালী ভাষাত গীত গাইছোঁ। কিমান গাইছোঁ তাৰ সঠিক হিচাপ নাই যদিও মই এতিয়ালৈকে অসংখ্য গান গাইছোঁ।

**■ আপোনাৰ চাকৰি সম্পৰ্কত চমুকৈ ক'ব নেকি?**

ঃ কামৰূপ জিলাৰ ছয়গাঁও মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত মই সহকাৰী অধ্যাপিকা হিচাপে চাকৰিৰ পাতনি মেলিছিলোঁ। পৰৱৰ্তী পৰ্যায়ত ২০১৩ বৰ্ষত উক্ত কলেজৰ পৰা বিভাগীয় মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰিছিলোঁ। ইয়াৰ পিছত গুৱাহাটীৰ সংকল্প একাডেমীত অধ্যক্ষা হিচাপে ৪ বছৰ কাৰ্যনিৰ্বাহ কৰিছিলোঁ।

**■ সংগীতক লৈ ভৱিষ্যতে আপোনাৰ বিশেষ পৰিকল্পনা আছে নেকি?**

ঃ এখন 'গীতৰ সংকলন'ৰ কাম কৰি আছোঁ। সমান্তৰালভাৱে এখন আত্মজীৱনী লিখাৰো হেঁপাহ আছে। ইয়াৰ উপৰি আমেৰিকাৰ 'বষ্টন'ত অসমীয়া আধুনিক গীত এটিৰ ৰেকৰ্ডিং হৈ গৈছে। ইটালিয়ান মিউজিক ডিৰেক্টৰৰ পৰিচালনা আৰু মোৰ ল'ৰা প্ৰীতম চৌধুৰীৰ সহযোগত ৰেকৰ্ডিং কৰা গীতটোৱে অলপতে মুক্তি লাভ কৰিব।

**■ অসমীয়া সংগীতত এনে কিবা বিশেষত্ব আছে নেকি যিটো বিশ্বৰ আন গীতৰ তুলনাত একক-অনন্য?**

ঃ আমাৰ অসমৰ বাৰে ৰহনীয়া লোকসংগীত সঁচাকৈয়ে একক আৰু অনন্য। এই গীতসমূহ অতি চহকী। যাৰ বাবে আজি বিহু বিশ্বৰ প্ৰান্তে প্ৰান্তে সমাদৃত। অসমৰ বিয়াগীত বহু লোকেই পছন্দ কৰে, শুনি ভাল পায়। মানুহৰ জন্মৰ পৰা মৃত্যু পৰ্যন্ত সমগ্ৰ যাত্ৰাপথৰ প্ৰতিটো স্তৰতে খাপ খোৱাকৈ আছে অসমীয়া লোকসংগীত। শ্ৰীকৃষ্ণৰ জন্ম ক্ষণক লৈ আছে— 'গিৰ গিৰ শব্দে, মেঘে গৰজিলে...'। শিশু অৱস্থাত গাবলৈ আছে আমাৰ নিচুকনি গীত। তাৰ পিছত শিশুটো অলপ ডাঙৰ হোৱাত গাবলৈ আছে— 'আগুৰগুৰ মাগুৰ জালি, ঘোঁৰাৰ নাকত দিলোঁ জৰী...'। অলপ ডেকা অৱস্থাত গাবলৈ আছে বিহুগীত। বিয়া-সবাহত গাবলৈ আছে অসমীয়া বিয়াগীত আৰু ঝুমুৰ, জিকিৰ, লোকগীত। বেমাৰ হ'লে গাবলৈ আছে আই নাম। মানুহৰ মৃত্যুৰ অন্তিম যাত্ৰাকালতো গাবলৈ আছে...'শ্মশানশালিত যোৱা নৰতনু দেহা...'ৰ দৰে আধ্যাত্মিক গীত। এনেকৈ মানৱ জীৱনৰ বিভিন্ন স্তৰক লৈ সমৃদ্ধ এই সমগ্ৰ লোকসংগীতসমূহক লৈ আমি যথেষ্ট চহকী। এবাৰ আমেৰিকাৰ ডেনভাৰত থকা প্ৰবাসী অসমীয়া লোকসকলৰ সন্তানসকলৰ সন্মুখত তাত এটা আধা ঘণ্টাৰ অনুষ্ঠান পৰিৱেশন কৰিছিলোঁ। আৰু লোকসংগীতখিনি তেওঁলোকৰ বোধগম্য হোৱাকৈ সমান্তৰালভাৱে ইংৰাজীত তৰ্জমা কৰিও দিয়া হৈছিল। তেওঁলোকে অসমৰ লোকসংগীতৰ মেটমৰা এই সম্ভাৰৰ বিষয়ে জ্ঞাত হৈ অত্যন্ত আনন্দ প্ৰকাশ কৰে। মই নিজেও এইক্ষেত্ৰত গৌৰৱবোধ কৰিছোঁ।




সাক্ষাৎগ্ৰহণ ঃ নৱ কুমাৰ শৰ্মা
ফোন ঃ ৯৯৫৪৫-৯০১৩৩
ফটো ঃ দিব্যজ্যোতি ৰাভা

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ১৫ ডিচেম্বৰ ২০২৪

আমাৰ ঐতিহ্য



## কেইবা শতিকা ঐতিহ্যৰে সমৃদ্ধ

# বাইহাটা শিৱ মন্দিৰ

**বিশেষত্ব** থকা শিৱ মন্দিৰটোত শিৱৰ লগতে গণেশ, কালী, লক্ষ্মী, কুবেৰ, মনসা আদি দেৱ-দেৱীৰ মূৰ্তি স্থাপিত কৰি পূজা-পাৰ্বণ দৈনিক নৈবেদ্য **আগবঢ়াই থকা হৈছে। মন্দিৰ প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে শিৱৰাত্ৰি, দুৰ্গাপূজা, লক্ষ্মীপূজা, জন্মাষ্টমী পালন কৰাৰ উপৰি দামোদৰ দেৱৰ** তিৰোভাৱ তিথি উপলক্ষে ব'হাগৰ শুক্লা প্ৰতিপদ তিথিত অঞ্চলটোৰ ৰাইজে বিভিন্ন কাৰ্যসূচীৰে পানী তোলা উৎসৱ বছৰি পালন কৰি **আহিছে...**

□ ৰমণী মোহন ডেকা

**পূব** কামৰূপ অঞ্চলৰ মদাৰতলা মৌজাৰ বাইহাটা নামটিয়ে এক ঐতিহ্য বহন কৰি আহিছে। এইখিনিতে বাইহাটা নামকৰণৰ বিষয়ে উল্লেখ কৰা সমীচীন হ'ব। ইতিহাসবিদ চৈয়দ আব্দুল আলমে উল্লেখ কৰা মতে, মূল বাই হাথায়। বাই মানে ভঙা, হাথায় মানে হাট বা বজাৰ। বড়ো ভাষাৰ পৰা অহা শব্দ। এসময়ত বাইহাটা নামৰ ঠাইখিনিত ডাঙৰ 'হাট বা বজাৰ' বহিছিল। প্ৰাকৃতিক দুৰ্যোগ, মানৰ আক্ৰমণ বা আন গতি প্ৰৱাহত বজাৰ বন্ধ হৈ যোৱা বাবে 'বাইহাটা' নামকৰণ হৈছিল।

বাইহাটা তালুকৰ ক্ষেত্ৰত বুৰঞ্জীত এনেদৰে উল্লেখ আছে যে চন্দ্ৰকান্ত সিংহ (১৮১৯-২১) মহাৰাজাই মদাৰতলাৰ ভথৌ বৰকায়স্থক সহায় কৰিবৰ উদ্দেশ্যে জমি দান দিয়াৰ লগতে কিছুসংখ্যক মানুহক বৰকায়স্থক সহায় কৰিবৰ বাবে নিযুক্তি দিছিল। দান গ্ৰহিতা ভথৌ চৌধাৰীৰ আন এটি নাম বিষ্ণুচৰণ আছিল। এওঁলোকক বৰকায়স্থৰ বংশ বা নাৰায়ণ গোমথাৰ বংশ বোলা হৈছিল। বুৰঞ্জীৰ মতে, আহোম ৰাজ চন্দ্ৰকান্ত সিংহৰ দিনত এখেতে বৰকায়স্থ হৈছিল। বিষ্ণুচৰণে যদিও বৰকায়স্থ উপাধি পাইছিল, আচলতে কিন্তু তেওঁ সেই অঞ্চলৰ বুজৰবৰুৱাৰ কামহে কৰিছিল। এই সন্মান বোলে বৰফুকনৰ তলতে আছিল। সেই সময়ত কামৰূপৰ পূব কামৰূপ অঞ্চলৰ সমস্ত বৰুৱা, বৰ কাইথ, চৌধাৰী, পাটোৱাৰী আদি ভথৌ বৰকায়স্থৰ অধীনত আছিল। এওঁ শাসন কৰা ঠাইৰ সীমা উত্তৰে ভোট, দক্ষিণে গাৰোপাহাৰ, পূবে বৰনদী আৰু পশ্চিমে পাগলাদিয়া নদী আছিল বুলি কোৱা হৈছিল। বৰ্তমানে বাইহাটা ষ্টেচনৰ পশ্চিমে থকা চেঁচা নদীৰ পাৰত তেওঁৰ থানা (সদৰ) আছিল, আজিকালি এই ঠাইকে মানুহে 'থানা পাতা ঘাট' (কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ৪৫৮)।

চন্দ্ৰকান্ত সিংহ মানৰ অনুগ্ৰহত দ্বিতীয়বাৰ ৰজা হৈছিল ১৭৪০ শকৰ শেষত। আৰু ১৭৪২ শকৰ চ'ত মাহত মানৰ ভয়ত গুৱাহাটীলৈ আহিছিল। তাতে আকৌ মানে খেদি ৰণ কৰাত স্বৰ্গদেউ গুৱাহাটীৰ পৰা পলাই গৈছিল ৰংপুৰলৈ দুবছৰ আঠ দিন ৰাজভোগৰ পিছত। গতিকে দেখা যায় মানৰ দিনৰ ভীষণ অস্থিৰ অৱস্থাৰ মাজতে ৰজা আৰু বৰফুকনে ভথৌ চৌধাৰীক জমি আৰু মানুহ কিছুমানক নিযুক্তি দিছিল।

তাম্ৰফলিত এনেদৰে উল্লেখ আছিল— এতদ্বিবৰণাং কামৰূপ দেশৰ বড়ুৱা ও বৰকায়স্থও চৌধাৰী ও পাটোৱাৰি ও তালুকদাৰ ও ঠাকুৰীয়া সকলো সাৱধানে সুনিব বড়বঙ্গষৰ পৰগণাৰ আলিপুৰ তালুকৰ নিজ আলিপুৰ গ্ৰামৰ জোখাৰ উবাৰ মাটি ১০ দহ পুড়া বড়ি ২ দুপুৰা উবাৰ বিল মদন কামদেৱৰ ঘাটৰ পৰা সীয়নাৰ বড়িলৈ মদন কুড়ি এচোৱা বড়বঙ্গষৰ পৰগণাৰ বাইহাটা তালুকৰ নিজ বাইহাটা গ্ৰামৰ জোখাৰ উবাৰ মাটি ১০ পুড়া বড়ি ২ দুপুৰা স্বতন্ত্ৰ তালুকৰ আলকুচি গ্ৰামৰ উপৰ বিল ভেৰভেৰি ডোবা ১টা ঁৰ পুণ্যাৰ্থে ঁতলে ভথৌ চৌধাৰীক ধৰ্মত্তৰ কৰি দিয়া গ'ল- আত বাজে নান কাৰকৈ ধি (২) মানকৈ তালুকৰ সাদ গাঞৰ জোখাৰ উবাৰ হাবি দলনি মাটি ৪৮ দুকুৰি আঠপুড়া ঁৰ আগত নিত্যে নৈবিদ্য দি বত্তি জ্বলাই ঁক আশীৰ্বাদ কৈ (থাকিব পুত্ৰ) পৌত্ৰাদিক্ৰমে পৰম সুখে উপভোগ কৰি থাকিব ইহ মাটি বিলত কৰ-কাটল পদপঞ্চক কেঠ বেগাৰ চোৰ চিমলা ধুমুচি মাৰেচা জলকৰ জবক্ষাৰ চকি ফাট হাট খাট দান খুত সৰ্ব্ব বাব পৰিত্যাগ হৈল, কোনোজনে অন্যথা নাচৰিব ইতি শক ১৭৪২ তাৰিখ ১০ আসন (?)।




এসময়ৰ প্ৰাগজ্যোতিষ বা কাৰূপ নামেৰে প্ৰসিদ্ধ এই ৰাজ্যখনত শিৱ পূজাৰ পৰম্পৰাও অতি প্ৰাচীন। চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকামানলৈ কামৰূপ শাসন কৰা বৰ্মন, শালস্তম্ভ, পাল আদি ৰাজবংশৰ শাসনকালত শৈৱ ধৰ্মৰ ব্যাপক প্ৰভাৱ পৰা পৰিলক্ষিত হৈছিল। ৰজাসকলৰ শিল আৰু তামৰ ফলিকে ইয়াৰ উদাহৰণ হিচাপে ল'ব পাৰি। বৰ্মন বংশৰ ভাস্কৰ বৰ্মা, শালস্তম্ভ বংশৰ বনমালদেৱ, পাল বংশৰ ইন্দ্ৰপাল, ধৰ্মপাল আদি কামৰূপৰ ৰজাসকলৰ এনে ফলকবোৰক শিৱৰ অনেক বিশেষণেৰে বিভূষিত কৰা হৈছিল। আহোম ৰজাসকলে বিভিন্ন ঠাইত শিৱালয় নিৰ্মাণ কৰাৰ লগতে দেৱোত্তৰ, ব্ৰহ্মোত্তৰ আদি জমিদান দিছিল। বাইহাটাৰ মাজমজিয়াত অৱস্থিত শিৱ মন্দিৰত নিত্য পূজা, ভোগ, নৈবেদ্য প্ৰচলিত যদিও শিৱ মন্দিৰটো কোনে, কেতিয়া এই ঠাইত স্থাপন কৰিলে তাক ইতিহাসে দাঙি ধৰিব পৰা নাই। তথাপি সমাজকৰ্মী উমেশ চন্দ্ৰ মজুমদাৰে জানিবলৈ দিয়া মতে, জনশ্ৰুতি মতে মন্দিৰৰ শিৱলিংগটি হেনো হাজোৰ কেদাৰনাথৰ ওচৰত আছিল। সেই কেদাৰনাথ দেৱালয়ৰ পূজাৰী ব্ৰাহ্মণ এজনে উক্ত শিৱলিংগটি সেই ঠাইৰ পৰা নাৱেৰে আনি থাকোঁতে তেতেলিয়াত নাওখন ডুব গৈছিল। কিছুদিনৰ পিছত সেই ব্ৰাহ্মণজনে সপোনত দেখিবলৈ পাই শিৱলিংগটি পুনৰ উদ্ধাৰ কৰি আনি উক্ত ঠাইতে স্থাপন কৰি পূজা-পাৰ্বণ আৰম্ভ কৰিছিল। ইপিনে পূব কামৰূপৰ গোপেশ্বৰ, পিংগলেশ্বৰ আদি দেৱালয়ত ১৮ শতিকাৰ আৰম্ভণিতে শিৱসিংহ ৰজাই পুখুৰী খন্দাই, সা-সামগ্ৰী, জমি দান দিছিল যদিও বাইহাটা শিৱ মন্দিৰৰ দান দিয়া কোনো ফলি উদ্ধাৰ নহ'লে ইয়াৰ কোনো ঐতিহাসিক গুৰুত্ব নাই বুলি উলাই কৰিব নোৱাৰি।

পৰৱৰ্তী সময়ত ৰাজহুৱা কামৰ অজুহাতত বাইহাটাৰ ওচৰৰ সন্মানীয় প্ৰভাৱশালী ভথৌ বৰকায়স্থ (চৌধাৰী) জে'লত থাকোঁতে, উক্ত মন্দিৰৰ ঘৰ-দুৱাৰ আৰু পূজা-পাৰ্বণৰ ব্যৱস্থা কৰি দিলে জে'লৰ পৰা মুক্তি পাব' বুলি স্বপ্নত দেখিবলৈ পোৱা বুলি জনশ্ৰুতিত জানিব পৰা গৈছিল। তাৰ কিছুদিন পিছতে জে'লৰ পৰা ওলাই মন্দিৰৰ ঘৰ-দুৱাৰ পুনৰ নিৰ্মাণ কৰি পূজা-পাৰ্বণৰ ব্যৱস্থা কৰি দিছিল। উমেশ মজুমদাৰে জানিবলৈ দিয়া মতে, মন্দিৰৰ ফলি-মোহৰ অন্তৰ্ধান কৰি জমিবোৰ ব্যক্তিবিশেষে নিজৰ নামত পট্টন কৰি লৈছিল। কেৱল মন্দিৰ প্ৰাংগণত বৰ্তমানে ৩ বিঘা ৩ কঠা আৰু ভোগ জমি ৩ বিঘাহে মন্দিৰ সমিতিৰ দখলত আছে। বাকীবোৰ ভোগ জমি বিভিন্নজনৰ নামত পট্টন হৈছিল। জানিব পৰা মতে, অসম ছেডিউল এক্ট ১৯৫২ আৰু ১৯৬১ চনৰ টেম্পল এক্ট মতে জমিবোৰ দখলকাৰীৰ নিজৰ নিজৰ নামত পট্টন হৈছিল। বিশেষত্ব থকা শিৱ মন্দিৰটোত শিৱৰ লগতে গণেশ, কালী, লক্ষ্মী, কুবেৰ, মনসা আদি দেৱ-দেৱীৰ মূৰ্তি স্থাপিত কৰি পূজা-পাৰ্বণ দৈনিক নৈবেদ্য আগবঢ়াই থকা হৈছে। মন্দিৰ প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে শিৱৰাত্ৰি, দুৰ্গাপূজা, লক্ষ্মীপূজা, জন্মাষ্টমী পালন কৰাৰ উপৰি দামোদৰ দেৱৰ তিৰোভাৱ তিথি উপলক্ষে ব'হাগৰ শুক্লা প্ৰতিপদ তিথিত অঞ্চলটোৰ ৰাইজে বিভিন্ন কাৰ্যসূচীৰে পানী তোলা উৎসৱ বছৰি পালন কৰি আহিছে। ভাতৃত্ববোধ আৰু সংহতিৰ পৰিচয় থকা 'বাইহাটা শিৱ মন্দিৰ' বৰ্তমান সময়ত সম্প্ৰীতিৰ এক নিদৰ্শন হওক।

ফোন ঃ ৯৮৬৪২-৯৩০৮৩

একালৰ অভাৱগ্ৰস্ত গাঁওবাসী এতিয়া স্বাৱলম্বী বস্ত্ৰ উৎপাদনেৰে

# তাঁতশালেৰে মইনাগুৰিৰ জনগোষ্ঠীয় মহিলাৰ স্বাৱলম্বিতাৰ সংগ্ৰাম

□ দিগন্ত শৰ্মা

**পুৱাৰ** পৰাই দুপৰ নিশালৈ তাঁতশালৰ শব্দত মুখৰিত হৈ থাকে মইনাগুৰি গাঁওখন। তাঁতশালৰ শব্দৰ ছন্দ আৰু গাঁওবাসীৰ জীৱন-জীৱিকা সম্প্ৰতি একাকাৰ। তাঁতশালখনেই মইনাগুৰিৰ বাসিন্দাসকলৰ জীৱিকা, পৰিচয় আৰু অৰ্থনৈতিক উত্তৰণৰ প্ৰধান সম্বল। তাঁতশালক বাদ দি অন্য চিন্তা কৰিবলৈ তেওঁলোকৰ আহৰি নাই। অসমৰ পশ্চিম প্ৰান্তৰ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অতিকৈ ভিতৰুৱা এলেকাৰ গাঁও এই মইনাগুৰি। ৰাভা জনগোষ্ঠীৰ তিনিকুৰি ছটা পৰিয়ালে বাস কৰা এই গাঁওখনৰ মহিলাসকলে অশেষ শ্ৰম আৰু সাধনাৰে সম্প্ৰতি ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিবলৈ সক্ষম হৈছে। কেৱল কাপোৰ উৎপাদন কৰিয়েই গাঁওখনৰ মহিলাসকলে গঢ়ি তুলিছে অৰ্থনীতিৰ ভেটি আৰু সুকীয়া পৰিচয়। অথচ এসময়ত দৰিদ্ৰতাৰ বাবে গাঁওখনৰ লোকসকলৰ অভাৱ-অনাটনৰ সীমা নোহোৱা হৈছিল। কৃষিকৰ্ম কৰিবলৈ পৰিয়ালবোৰৰ পৰ্যাপ্ত পৰিমাণৰ মাটি নথকাৰ বাবে জীৱিকালৈ সংকট নামি আহিছিল। তাতে এসময়ত উগ্ৰপন্থীৰ কাৰ্যকলাপেও গাঁওবাসীৰ উন্নয়ন স্থবিৰ কৰিছিল। কিন্তু ৰাভা সম্প্ৰদায়ৰ এই পৰিয়ালবোৰৰ মহিলাসকলে ক্ৰমান্বয়ে ঘৰতে এখন-দুখনকৈ জনগোষ্ঠীয় সাজ-পাৰ উৎপাদন কৰিবলৈ আৰম্ভ কৰে। এই কাপোৰকে প্ৰথমে স্থানীয় বজাৰত বিক্ৰী কৰিবলৈ লয়। লাহে লাহে জনগোষ্ঠীয় কাপোৰৰ চাহিদা বৃদ্ধি হ'বলৈ ধৰে আৰু পুৰুষসকলে গাঁওখনৰ মহিলাসকলক অধিক কাপোৰ উৎপাদন কৰাত সহায় কৰে। প্ৰায় দহ বছৰপূৰ্বে আৰম্ভ কৰা এই কামটোৱে প্ৰতিটো পৰিয়ালৰ উপাৰ্জনৰ প্ৰধান কৰ্ম হৈ পৰে। আনকি স্থানীয় বজাৰতো মইনাগুৰি গাঁৱৰ কাপোৰৰ চাহিদা বাঢ়ে। ফলত একাংশ পাইকাৰী কাপোৰ বিক্ৰেতাই মইনাগুৰি গাঁৱলৈ গৈ ঘৰে ঘৰে উৎপাদিত কাপোৰ সংগ্ৰহ কৰিবলৈ লয় আৰু নগদ আগধন পৰ্যন্ত দিয়ে এচাম বোৱনীক। প্ৰতিঘৰতে থকা তাঁতশালবোৰ অহৰহ চলিবলৈ ধৰে। গাঁওখনৰ বাট-পথবোৰত প্ৰতিনিয়ত মহিলাসকলে সূতা বাতি কৰাত ব্যস্ত হৈ পৰে। থলুৱা মহিলাৰ হাতৰ পৰশ লগা মইনাগুৰিৰ ৰাভা জনগোষ্ঠীয় কাপোৰে অসমৰ সীমা অতিক্ৰমী দিল্লীৰ প্ৰদৰ্শনীত স্থান লাভ কৰে। লগতে ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভেগে গাঁওখনত উপস্থিত হৈ মহিলাসকলক অধিক উৎপাদনৰ বাবে প্ৰশিক্ষণৰ বাবে আমন্ত্ৰণ জনায়। বিটিআৰ প্ৰশাসনেও সহায় কৰে। এনেদৰে গাঁওখনৰ প্ৰতিটো পৰিয়ালে জীৱিকাৰ প্ৰধান সম্বল হিচাপে গ্ৰহণ কৰে তাঁতশালক। একালত অভাৱৰ তাড়নাই গ্ৰাস কৰা পৰিয়ালবোৰৰ আৰ্থিক স্বাৱলম্বিতা গঢ়ি উঠে বস্ত্ৰশিল্পৰ জৰিয়তে। জীৱন নিৰ্বাহৰ একমাত্ৰ পথ তাঁতশালত কাপোৰ ব'ই বিক্ৰী কৰা গাঁওবাসীৰ প্ৰতিটো পৰিয়ালতে আছে দুই-তিনিখনকৈ তাঁতশাল। গাভৰু ছোৱালী-মহিলাসকলো তাঁতশালত ব্যস্ত। অতীজৰেপৰা প্ৰয়োজনীয় কাপোৰবোৰ বোৱাৰ পৰম্পৰা আছিল যদিও বৈপ্লৱিক পৰিৱৰ্তন সম্ভৱ হোৱা নাছিল আৰু জীৱিকা বা অৰ্থনৈতিক উত্তৰণৰ আধাৰ হোৱা নাছিল। কিন্তু দহ বছৰপূৰ্বে মহিলাসকলে গ্ৰহণ কৰা সবল পদক্ষেপে গাঁওখনৰ লোকসকলক অভাৱগ্ৰস্ততাৰ পৰা উত্তৰণ ঘটালে। আনকি মইনাগুৰি গাঁৱৰ বস্ত্ৰশিল্প পৰিদৰ্শন কৰিবলৈ তিনি বছৰ পূৰ্বে কেন্দ্ৰীয় হস্ততাঁত আৰু বস্ত্ৰশিল্প দপ্তৰৰ মন্ত্ৰীয়েও মইনাগুৰি মহিলাসকলৰ কৰ্মৰাজি প্ৰত্যক্ষ কৰিবলৈ আহি শিপিনীসকলক প্ৰসংশা কৰিছিল। উল্লেখ্য যে গাঁওখনৰ শিপিনীসকলে ৰাভা জনগোষ্ঠীৰ কাম বাং, কেমলেট, গামোচা, মাফলাৰ, এৰি চাদৰ আৰু বিছনা চাদৰ প্ৰস্তুত কৰে, যিবোৰে দেশৰ বিভিন্ন প্ৰান্তৰ বজাৰ দখল কৰিছে। তাঁতশালত প্ৰস্তুত কৰা কাপোৰ ঘৰতে পাইকাৰী দৰত বিক্ৰী কৰে গাঁওবাসীয়ে। গাঁওখনৰ সকলো পৰিয়াল কাপোৰ প্ৰস্তুত কৰা কামৰ সৈতে জড়িত হোৱাত গোসাঁইগাঁও মহকুমা হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে তাঁতশাল আৰু অন্যান্য বিভিন্ন সামগ্ৰী যোগান ধৰি অহাৰ উপৰি গাঁওখনৰ পৰিয়ালবোৰক মাজে-সময়ে উন্নত প্ৰশিক্ষণ দি আহিছে। জয়মতী ৰাভা নামৰ শিপিনীগৰাকীয়ে কয়— 'এসময়ত অভাৱৰ বাবে কি কাম কৰিম, কি কাম কৰি উপাৰ্জন কৰিম চিন্তা হৈছিল। কিন্তু এতিয়া নিজৰ ঘৰতে বহি কাপোৰ বই ধন উপাৰ্জন কৰি আছোঁ। আমাৰ হাতেবোৱা কাপোৰ দেশৰ বহু ঠাইলৈকে চালান হয়। এই কামেৰে আমাৰ আগৰ দৰিদ্ৰ অৱস্থাৰ উন্নতি হৈছে। কেৱল মোৰেই নহয়, আমাৰ গাঁৱৰ সকলো মানুহে এই কামত নিয়োজিত হোৱাত গাঁওখনলৈ পৰিৱৰ্তন আহিছে। এসময়ত আমাৰ গাঁৱৰ মানুহবোৰ বহু দুখীয়া আছিল। এতিয়া তাঁতশালেৰে জনগোষ্ঠীয় কাপোৰ উৎপাদন কৰি সকলোৱে স্বাৱলম্বী হৈছে।' দৰিদ্ৰতাৰ পৰিধি অতিক্ৰমী মইনাগুৰিৰ মহিলাসকলে শ্ৰম আৰু সাধনাৰে আগুৱাই গৈছে আৰ্থিক প্ৰগতিৰ বাটেৰে।

ফোন ঃ ৮৬৩৮৬-৯৮৪৫০







কবিতা

## আঘোণ

□ পাপৰি দেৱী

আঘোণৰ সোণালী ধাননিত
ৰ'দৰ চিকমিকনি
মতলীয়া হ'ল ৰান্ধনী বেলি
...
সোণালী ধানৰ থোকে
থোকে
আশাৰ সপোনে নাচে
শীতল সমীৰে
দাৱনীৰ ঘৰ্মাক্ত দেহৰ ভাঁজে
ভাঁজে
প্ৰাপ্তিৰ সুবাস সিঁচে

চিক্ মিক্ উজলিছে
দাৱনীৰ ধাৰাল কাচি
কৃষকৰ মুখত বিৰিঙিছে
আনন্দৰ হাঁহি,
পকাধানৰ ফুৰফুৰীয়া
গোন্ধত
ৰবাব টেঙাৰ জুতিৰে
দুপৰীয়াটো জীপাল হৈ উঠে
আশাভৰা প্ৰাপ্তিবোৰ
নৰাপেঁপাৰ সুৰত বাজে

সোণালী ধাননিত এতিয়া
সোণালী সোণগুটিৰ নাচোন
সজীৱ হৈ পৰিছে
আই-পিতাইৰ মৰহা
সপোন,
চিৰিক চিৰিক ডাঙৰীৰ
ছন্দত
সোণসেৰীয়া সপোনে নাচে
হিৰণ্ময়ী প্ৰাপ্তিয়ে
উকা ভঁৰাল চহকী কৰে।।

ফোন ঃ ৬৯০০৭-৮০৪৬০

## শিপা আৰু মন

□ পাৰ্থপ্ৰতিম শইকীয়া

শিপাই বিচাৰিব জানে
গছক সবল কৰিব পৰা
সকলোবোৰ।
গছজোপা শিপাইছে নকৈ
ইয়াৰ পাছত মাটিৰ গুণাগুণ
অনুসৰি
সবল কিম্বা দুৰ্বল হ'ব।

মনে বিচাৰিব জানে
মন নিৰ্মলৰ কাৰকবোৰ।
ৰ'দৰ পোহৰত আন্ধাৰৰ কথা
মনলৈ নাহে
জোনাকত অৱশ্যে আন্ধাৰৰ সংজ্ঞা
এটা থাকে

অ' আমি শিপাৰ কথা কৈছিলোঁ
ন শিপাই অনুসন্ধান কৰে
আৰু দীঘলকৈ উশাহ লৈ
মাটিবোৰ
নিজৰ কৰি লয় তথা প্ৰভাৱ
বিস্তাৰ কৰে
শিপাই নকৰে কি গছজোপাৰ
বাবে।

মনে নিত্য নৱ পৃথিৱীৰ অনুসন্ধান
কৰে
কেতিয়াবা বোকাত পৰে
আকৌ নকৈ মনটো আগবাঢ়ে
শিপাৰ দৰে
শিপা আৰু মন একেই বুলি কিয়
মানি নলয় ?

ফোন ঃ ৯৩৯৪৮-৪৫১৮১

সুকন্যা

### লেখকসকললৈ আহ্বান

'নিয়মীয়া বাৰ্তা'ৰ দেওবৰীয়া পৰিপূৰিকা সুকন্যাত শূন্যৰ পৰা কষ্টৰে ব্যৱসায় আৰম্ভ কৰি নিজে স্বাৱলম্বী হোৱাৰ লগতে আনকো সংস্থাপন দিয়া কৰ্মোদ্যমী নাৰীৰ বিষয়ে প্ৰকাশ কৰা হ'ব ইচ্ছুক লেখকসকলে নিম্ন উল্লিখিত ঠিকনাত তেখেতসকলৰ লেখাবোৰ পঠিয়াব পাৰে।

**সুকন্যা, নিয়মীয়া বাৰ্তা**
**প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেড**
**জিএছ ৰোড, গুৱাহাটী-৫**
**E-mail: sukanya@prideeast.com**

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ১৫ ডিচেম্বৰ ২০২৪

প্ৰেৰণাময়ী মহিলা

# পৰিচৰ্যা কেন্দ্ৰ স্থাপনেৰে অনন্য কৰ্ম



□ উৎপল কুমাৰ কলিতা

**তেওঁ** বুজি পায় কুকুৰৰ ভাষা। কুকুৰৰ হৃদয়ৰ অনুভূতি বুজি পায় তেওঁ। কুকুৰৰ লগত খেলে, কথা পাতে; একেখন থালতে খায়। কুকুৰক দিয়ে মাতৃৰ মমতা। তেওঁ নিজৰে সাৰমেয় মাতৃ বুলি পৰিচয় দিয়ে। কুকুৰৰ বাবে তেওঁ স্থাপন কৰিছে পৰিচৰ্যা কেন্দ্ৰ। এইগৰাকী ব্যতিক্ৰমী নাৰীৰ নাম কৃষ্ণাক্ষী শৰ্মা। কুকুৰৰ পৰিচৰ্যা কেন্দ্ৰৰে সম্প্ৰতি পৰিচিত হৈ পৰিছে কৃষ্ণাক্ষী।

সৰুৰে পৰা কৃষ্ণাক্ষীৰ প্ৰেম আছিল কুকুৰৰ সৈতে। কুকুৰক তেওঁ বৰ ভাল পাইছিল। কুকুৰক কোনোবাই গালি পাৰিলে, বেয়া ব্যৱহাৰ কৰিলে, মাৰিলে কৃষ্ণাক্ষীয়ে বৰ আঘাত পাইছিল। কৃষ্ণাক্ষীৰ মতে 'বৰ্তমান পৃথিৱীত মানুহতকৈ বহু বেছি বিশ্বাসী কুকুৰ। কুকুৰক সন্তানৰ দৰে মৰম দিলে মৰম দিওঁতাক ই কেতিয়াও প্ৰতাৰণা নকৰে। কুকুৰ বৰ অমায়িক মৰমলগা প্ৰাণী। কুকুৰক মই বৰ ভাল পাওঁ। পঢ়ি থাকোঁতে ভাবিছিলোঁ ভৱিষ্যতে কিবা কৰিব লগা হ'লে কুকুৰক লৈয়ে কৰিম। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সমাজশাস্ত্ৰত স্নাতকোত্তৰ ডিগ্ৰী লৈ কিছুদিন বহুজাতিক প্ৰতিষ্ঠানত কাম কৰিছিল যদিও পাছত তেওঁ পুনৰ ঘূৰি আহিল কুকুৰৰ মাজলৈ।

কৃষ্ণাক্ষীয়ে দেখিছিল বহু কুকুৰ গৰাকীয়ে এৰি দিয়ে। বহু কুকুৰ দুৰ্ঘটনা বা মানুহৰ অত্যাচাৰৰ বলি হয়। ৰোগাক্ৰান্ত হৈ য'ত-ত'ত পৰি থাকে। আনহাতে, লক্ষ্য কৰিছিল বহু মানুহে কুকুৰ ঘৰত ৰাখে যদিও মহানগৰীত পৰিয়ালৰ লোকসকল ক'ৰবালৈ যাব লাগিলে কুকুৰটো ক'ত থৈ যাব তাক লৈ বহু সমস্যাত পৰে। সেয়ে দুৰ্গত কুকুৰবোৰৰ পৰিচৰ্যা আৰু ক'ৰবালৈ পৰিয়ালসহ যাব লাগিলে কুকুৰটো থৈ যাব পৰাকৈ সুৰক্ষিত ব্যৱস্থাৰ কথা অনুভৱ কৰিলে। এনে চিন্তা কৰিয়ে কৃষ্ণাক্ষীয়ে কুকুৰৰ পৰিচৰ্যা কেন্দ্ৰ এটা খোলাৰ বাবে আগবাঢ়িল আৰু ২০১৭ চনৰ ২২ জুলাইত পিতৃ বাণী বিক্ৰম শৰ্মাৰ উজান বজাৰৰ হেপীভিলাত থকা এটা ঘৰত আৰম্ভ কৰিলে কুকুৰৰ পৰিচৰ্যা ব্যতিক্ৰমী প্ৰতিষ্ঠান 'কুকুজ প'উজ এণ্ড ক্ল'উজ' (Kukus paws and claws)। বিশিষ্ট অভিনেত্ৰী বৰষাৰাণী বিষয়াই এই প্ৰতিষ্ঠানটো উদ্বোধন কৰিছিল। এই প্ৰতিষ্ঠান সম্পৰ্কত কৃষ্ণাক্ষীয়ে কয়— মানুহৰ বাবে থাকিবলৈ সুন্দৰ ব্যৱস্থা আছে। কিন্তু মই কুকুৰৰ বাবে ভাবিলোঁ। কুকুৰৰ বাবে একপ্ৰকাৰ হোষ্টেলৰ ব্যৱস্থা মোৰ এই প্ৰতিষ্ঠান। গুৱাহাটী মহানগৰীত কুকুৰ পোহা মানুহৰ অভাৱ নাই। কিন্তু ক'ৰবালৈ যাবলৈ হ'লে কুকুৰটো ক'ত থৈ যাব তাক লৈ চিন্তিত হয়। আমাৰ প্ৰতিষ্ঠানে সেই সমস্যা নিৰ্ভয়ে সমাধান কৰিছে। আমাৰ প্ৰতিষ্ঠানত গৰাকীয়ে নিৰাপদভাৱে নিজৰ কুকুৰটো থৈ যাব পাৰিব। প্ৰতিষ্ঠানটোত প্ৰথমতে বিশেষ সঁহাৰি পোৱা হোৱা নাছিল যদিও পাছত বহু লোকে ইয়াত কুকুৰ ৰাখিবলৈ আগবাঢ়ি আহিল। কৃষ্ণাক্ষীয়ে প্ৰতিষ্ঠানটো পৰিচালনাৰ বাবে এতিয়া অন্য তিনিজন সহযোগী নিয়োগ কৰিছে। আনহাতে, কৃষ্ণাক্ষীয়ে এতিয়া এগৰাকী প্ৰতিষ্ঠিত ডগ চাইক'লজিষ্ট হিচাপে কৰ্মৰত হৈ আছে। তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ ড° এলমিৰা ষ্টেইনজৰ তত্ত্বাৱধানত ডগ চাইক'লজিষ্ট বিষয়ক এটি ডিপ্ল'মা ক'ৰ্ছ সফলতাৰে সমাপ্ত কৰে। কৃষ্ণাক্ষীৰ কুকুৰৰ প্ৰতি মৰম ইমানে যে কুকুৰক নিজৰ সন্তানৰ দৰে প্ৰতিপালন কৰে। তেওঁ কুকুৰৰ গতি-বিধি চাই কৈ দিব পাৰে কুকুৰটোৱে কি ক'ব বা বুজাব বিচাৰিছে। তেওঁ কেইবাবাৰো কুকুৰৰ

> কৃষ্ণাক্ষীয়ে ইতিমধ্যে কানাডাৰ ডগ চাইক'লজী চেণ্টাৰ নামৰ এটা প্ৰতিষ্ঠানৰ পৰা সমগ্ৰ বিশ্বতে ডগ হুইছপাৰ হিচাপে খ্যাত কুকুৰৰ মনোৰোগ বিশেষজ্ঞ চিজাৰ মিলানৰ পৰাও এক প্ৰশিক্ষণ লৈছে। নিজ ঘৰত তেওঁ আগ্ৰহীসকলৰ বাবে কুকুৰৰ খাদ্য, পৰিচৰ্যা আদি বিষয়ত প্ৰতিদিনে আধা ঘণ্টা তেওঁ পৰামৰ্শ প্ৰদান কৰে। বিজ্ঞানসন্মত কুকুৰৰ প্ৰতিপালনৰ বাবে তেওঁ প্ৰশিক্ষণো প্ৰদান কৰে...



কামোৰ, আঁচোৰো খাইছে, কিন্তু কুকুৰক বেয়া ব্যৱহাৰ নকৰে। আনকি কুকুৰৰ লগত একেখন থালতে তেওঁ খাব পাৰে। কুকুৰক আহাৰ খুওৱা হাতেৰে নিজে খাবও পাৰে। তেওঁ বিভিন্ন ঠাইৰ পৰা কেইবাটাও দুৰ্ঘটনাত পতিত হোৱা বা মানুহৰ দ্বাৰা অত্যাচৰিত গৰাকীবিহীন কুকুৰ উদ্ধাৰ, পৰিচৰ্যা কৰি সুস্থ কৰি অন্য লোকক গতাই দিছে। বিভিন্ন স্থানত অনুষ্ঠিত কৰিছে কুকুৰৰ বন্ধ্যাকৰণ, ভেকচিনেচন শিবিৰ। মানুহৰ হাতত কুকুৰ নিৰ্যাতন সম্পৰ্কত কৃষ্ণাক্ষীয়ে কয়— 'কুকুৰৰ দৰে প্ৰভুভক্ত, বিশ্বাসী প্ৰাণী বিৰল। কিন্তু বহু লোকে কুকুৰক জোকাই, অনাহকত অত্যাচাৰ কৰে, মাৰপিট কৰে। মানুহে কুকুৰক হিংস্ৰ কৰে। আনকি বহু লোকে কুকুৰক বিহ দি মাৰে। এজন মানুহ এনে কামত লিপ্ত হোৱাটো লজ্জাজনক। এই নিমাখিত প্ৰাণীটোক অনাহকত অত্যাচাৰ কৰিলে ইয়াৰ ফল ভোগ কৰিব লাগিব।'

কৃষ্ণাক্ষীয়ে ইতিমধ্যে কানাডাৰ ডগ চাইক'লজী চেণ্টাৰ নামৰ এটা প্ৰতিষ্ঠানৰ পৰা সমগ্ৰ বিশ্বতে ডগ হুইছপাৰ হিচাপে খ্যাত কুকুৰৰ মনোৰোগ বিশেষজ্ঞ চিজাৰ মিলানৰ পৰাও এক প্ৰশিক্ষণ লৈছে। নিজ ঘৰত তেওঁ আগ্ৰহীসকলৰ বাবে কুকুৰৰ খাদ্য, পৰিচৰ্যা আদি বিষয়ত প্ৰতিদিনে আধা ঘণ্টা তেওঁ পৰামৰ্শ প্ৰদান কৰে। বিজ্ঞানসন্মত কুকুৰৰ প্ৰতিপালনৰ বাবে তেওঁ প্ৰশিক্ষণো প্ৰদান কৰে।

জীৱ-জন্তুৰ প্ৰতি সন্মান দিয়া, মৰম প্ৰদৰ্শন কৰা, বাটে-পথে ঘূৰি ফুৰা কুকুৰক উদ্ধাৰ কৰি হস্তান্তৰৰ জৰিয়তে গৰাকী আৰু ঘৰ প্ৰদান কৰাৰ উদ্দেশ্যে ২০১৮ চনৰ পৰা প্ৰতিবছৰে গুৱাহাটী গীতানগৰত কৃষ্ণাক্ষী শৰ্মাৰ উদ্যোগত অনুষ্ঠিত হৈ আহিছে ডগ ফেশ্বন শ্ব'। এই ফেশ্বন শ্ব'ত দেশী-বিদেশী বিভিন্ন কুকুৰক গৰাকীয়ে অৱতীৰ্ণ কৰি আহিছে। ২০২৩ চনত এই ফেশ্বন শ্ব'ত ৰাস্তাই-ঘাটে আঘাতপ্ৰাপ্ত জীৱ-জন্তুক তাৎক্ষণিক চিকিৎসা প্ৰদানৰ বাবে এখন এম্বুলেঞ্চ মুকলি কৰা হয়। কৃষ্ণাক্ষীৰ পৰিকল্পনা আছে কুকুৰৰ পৰিচৰ্যা আৰু ৰুগীয়া তথা আঘাতপ্ৰাপ্ত কুকুৰবোৰৰ চিকিৎসাৰ বাবে এখন বিশেষ চিকিৎসালয় স্থাপন কৰা।


অকল কুকুৰে নহয়, কৃষ্ণাক্ষী এগৰাকী মানৱদৰদী হিচাপেও পৰিচিত। বিশেষকৈ পদপথৰ বাসিন্দাসকলৰ বাবে তেওঁ বিভিন্ন কল্যাণমূলক কাম কৰি আহিছে।

আনহাতে, কৃষ্ণাক্ষী এগৰাকী পদকাষ্টাৰ হিচাপেও সুনাম গঢ়িছে। অসম বুক অৱ ৰেকৰ্ডছত পডকাষ্টাৰ হিচাপে অসমৰ হৈ প্ৰথম নাম অন্তৰ্ভুক্ত হৈছে গুৱাহাটীৰ কৃষ্ণাক্ষী শৰ্মাৰ। ২০২৪ বৰ্ষৰ মাতৃ দিৱসৰ দিনা ১২গৰাকী মহিলাৰ সৈতে একেলেথাৰিয়ে সাক্ষাৎকাৰ লৈছিল কৃষ্ণাক্ষীয়ে। যিকেইটা আছিল প্ৰেৰণাদায়ক সাক্ষাৎকাৰ। তেওঁৰ পডকাষ্টলৈ তেওঁ বিভিন্ন দিশৰ অতিথিসকলক নিমন্ত্ৰণ কৰে। বিশেষকৈ সকলোকে অনুপ্ৰাণিত কৰিব পৰা কাহিনী বা বিষয় লৈ আলোচনা কৰে কৃষ্ণাক্ষীয়ে।

সৰ্বোপৰি কিন্তু কৃষ্ণাক্ষীৰ জীৱন সাৰমেয়ৰ লগত। পুৱাৰ পৰা দিনটো ব্যস্ত থাকে সাৰমেয়ৰ লগত। বুকুত আঁকোৱালি মৰম কৰে কুকুৰবোৰক। কৃষ্ণাক্ষীয়ে প্ৰকাশ কৰা মতে 'মই সাৰমেয়ৰ মাজত থাকি এক স্বৰ্গীয় সুখানুভূতি লাভ কৰোঁ। মই যি কাম কৰি আছোঁ সেই কামত অনন্য আনন্দ লাভ কৰোঁ। সেয়ে চাকৰি বাদ দি এই কাম কৰি আছোঁ।' নিশ্চিতভাৱে শ্ৰীমন্ত শংকৰদেৱৰ 'কুকুৰ শৃংগাল গদৰ্ভৰো আত্মাৰাম' বাণীক সাৰোগত কৰি কৃষ্ণাক্ষীয়ে এই নিৰীহ প্ৰাণীবিধৰ বাবে যিখিনি কৰি আছে সেয়া সঁচাকৈ অনন্য।

ফোন ঃ ৯৩৯৪৯-২২৫২৭

## শব্দ চয়ন ঃ ২০



**থিয়কৈ ঃ**

১। মাটিত বগোৱা বন বিশেষ (২+৩)
৩। পানীত থকা পোক (৪)
৪। এবিধ মিঠা ফলৰ নাম (২)
৫। বস্তুৰ দাম, মূল্য (২)
৬। এবিধ গছ আৰু তাৰ ফল (৪)
৮। সুন্দৰ, মনোহৰ (৪)
১১। পানী, উদক (২)
১৪। মুছলমানসকলৰ এটা পৱিত্ৰ মাহ (৪)
১৫। মাৰি, এছাৰি (২)
১৭। মকৰাই তৰা জাল (৫)
১৮। চকাৰ সহায়ত গধুৰ বস্তু টনা-মেলা কৰিব পৰা যন্ত্ৰ (৪)
২০। মুছলমানৰ পীৰ আৰু মছজিদ আদি (৪)
২২। বেয়া (২)
২৩। ৰাজহ, খাজনা (২)

**পথালিয়ে ঃ**

২। তিৰোতাই কপালত পিন্ধা অলংকাৰ বিশেষ (৩)
৪। নিন্দা, গালি (৪)
৭। বেগাই কৰা গতি, দৌৰ (২)
৯। স্নেহ, বেথা (৩)
১০। তুলনা, ৰিজা (৩)
১২। শক্তি, পৰাক্ৰম (২)
১৩। পানী, জল (২)
১৬। মৌ-শিটা (২)
১৮। জী, দুহিতা (২)
১৯। মেঘ, ডাৱৰ (৩)
২১। জীৰ্ণ কাৰক, হজমী (৩)
২২। এবিধ ফুল নাম (২)
২৪। পেটুৱা, গণেশ (৪)
২৫। নানা ধৰণৰ, বিবিধ (৩)

## শব্দ চয়ন ঃ ১৯ৰ উত্তৰ

**থিয়কৈ ঃ** ১। খৰিয়াল ২। আশা ২। হাত ৪। টিকনি ৬। আনাৰস ৭। ছাতি ৯। ৰং ১০। জৰা ১১। ৰথ ১২। দবাখেল ১৩। জাক ১৬। ৰাজ-কৰ ১৭। মধুনা ১৮। নাক ১৯। কাজ।

**পথালিকৈ ঃ** ৩। হাতীপটি ৫। ৰিক্ত ৬। আশাতীত ৭। ছানি ৮। লৰচৰ ১০। জনেপতি ১৪। জগন্নাথ ১৫। বাংকৰা ১৭। মল ১৮। নাশকাল ২০। বাক ২১। নাবালক।

গল্প

# জীৱন অনুপম

□ মধুছন্দা গগৈ

**কাঁচৰ** স্বচ্ছ এখন খোলা খিৰিকী। পাতল কঁহুৱা বৰণৰ পৰ্দাখন আলফুলে উৰুৱাই পুৱাৰ সেমেকা বতাহ এছাতি ৰিব্‌ৰিব্‌কৈ সোমাই কোঠাটো বাতানুকূল কৰি তুলিছে। তাৰ সমান্তৰালকৈ কুমলীয়া ৰ'দ এচেৰেঙা বেঁকাকৈ মজিয়াত পৰি চৌপাশ উজলাই তুলিবলৈ য'ত কিঞ্চিৎ চেষ্টা কৰাৰ সেই সময়খিনিতেই অনুৰাধা প্ৰাতঃভ্ৰমণৰ পৰা আহি পাবৰ হয়। শীতৰ গোলাপী বৰণ লোৱা ৰ'দ চেৰেঙা পিঠিত লৈয়েই তাইৰ সোমায়হি। অনুজ তেতিয়ালৈ গা-পা ধুই আজৰি হয়। দুকাপ ধোঁৱা বলি থকা সতেজ চাহ, শীতৰ ৰ'দালিয়ে ধুই নিয়া বেলকনিটো আৰু এমুখ হাঁহি— অনুৰাধাই যেন ৰ'দজাক লগত লৈ আহি ঘৰখনত বিয়পাই দিয়েহি। ইটো-সিটো বহুত কথা। বাটত লগ পোৱা সকলো অভিজ্ঞতাৰ কথা এফালৰ পৰা কৈ যায়। লগে লগে সামৰি আনে পুৱাৰ জলপানৰ প্ৰস্তুতি। আৰু শেষত গা-পা ধুই খাই-বৈ ওলাই যায় নিজৰ কৰ্তব্যস্থলীলৈ। এখন ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী তেওঁ। বহুত দায়িত্ব। পুৱাৰ প্ৰাৰ্থনা সভাৰ আগতে উপস্থিত থাকিবই লাগিব। ল'ৰা-ছোৱালীক দিয়াৰ দৰে নিজৰ শিক্ষক জীৱনতো শাসন আৰু অনুশাসন দুয়োটাই জৰুৰী। আনহাতে, অনুজ লকডাউনৰ পিছৰ পৰা ঘৰত থাকিয়েই কাম কৰি আছে। তেওঁ এটা প্ৰাইভেট কোম্পানীৰ মাৰ্কেটিং এক্সিকিউটিভ। আগতে ঘূৰি-পাকি ফুৰিবলগীয়া হৈছিল যদিও লকডাউনৰ পৰা কমকৈ যাবলগীয়া হৈছে। এতিয়া দিনটোৰ কৰ্ম ব্যস্ততাৰ পিছত ইজনে আনজনক কিছু সময় দিব পাৰে। একমাত্ৰ ছোৱালী অনুশ্ৰী দ্বাদশ পাৰ কৰি হোষ্টেললৈ যোৱাৰ পিছৰ পৰা দিনবোৰ যেন সেই নতুনকৈ সংসাৰ আৰম্ভ কৰাৰ দৰে হৈছে। মাজতে অনুৰাধাৰ গা ভীষণ বেয়া হৈছিল। প্ৰেছাৰ বাঢ়ি ডায়েষ্টলিক প্ৰেছাৰ এশৰ ঘৰ পাইছিলগৈ। স্কুলৰ ব্যস্ততা, ঘড়ীৰ কাঁটাৰ লগত দৌৰা জীৱনত ডাক্তৰৰ ওচৰলৈ যোৱা কামটো সদায়েই পিছ পৰি ৰৈছিল। কিন্তু এদিন স্কুললৈ ওলাবলৈ লৈ অনুৰাধা যেতিয়া মূৰ ঘূৰাইপৰি গৈছিল, তেতিয়াহে যেন হাস্পতাললৈ যোৱাৰ প্ৰয়োজন অনুভৱ হ'ল তেওঁৰ। অনুজ কাষত আছিল বাবেহে। তৎক্ষণাৎ কাষৰ নাৰ্ছিং হোম এখনলৈ নি পৰীক্ষা কৰাত সকলো ধৰা পৰিল। কাৰণৰ তালিকা দীৰ্ঘম্যাদী-ষ্ট্ৰেছ, খোৱা-লোৱাৰ অনিয়মীয়া, প্ৰি-মেনোপোজ, অৱসাদ, জিৰণি— এখন সানমিহলি সূচী। ডাক্তৰৰ পৰামৰ্শ মতে কেইদিনমান ছুটী লৈ অনুৰাধা ঘৰত থাকিল। অনুৰাধা নিজৰ স্বাস্থ্য আৰু ভৱিষ্যৎ জীৱনক লৈ শংকিত হৈ পৰিল। অনুজৰ একাণপতিয়া যত্ন আৰু সাহসত পুনৰ যেনিবা সুস্থ হৈ উঠিল। তাৰ পিছৰে পৰা সম্পূৰ্ণ জীৱনশৈলী সলনি হৈ পৰে অনুৰাধাৰ। মহানগৰীৰ যান-বাহনৰ ধোঁৱা নিঃসৰিত হোৱাৰ আগতেই অনুজে তাইক উঠাই মৰ্নিং ৱাক কৰিবলৈ পঠিয়ায়। 'চেইন, মোবাইল থৈ যাবা দেই।' অনুজৰ কথাত মায়া আছে। তাই মিচিকিয়াই হাঁহে। না ক'ব নোৱাৰে।

**'কি ভাবি আছা অনু!'**

অনুজৰ মাতত অনুৰাধাৰ তন্ময়তা ভাঙে।

নতুনকৈ লোৱা কাপোৰকেইসাজ আলমাৰি খোলোঁতে চকুত পৰিল। নতুনকৈ লৈ থৈছে। কেইবাখনো বিয়াৰ নিমন্ত্ৰণ আছে এই মাহত। বিশেষকৈ নিতাই দিয়া নিমন্ত্ৰণীখন। নিতা অনুৰাধাৰ সহকৰ্মী। বয়সত অনুৰাধা কেই বছৰমান সৰু। আজিয়েই আছে সেইখন বিয়া। নিতাৰ বায়েকৰ ছোৱালীৰ বিয়া। সন্ধিয়ালৈ কি পিন্ধি যাব সেই লৈ তাই যেন মহা সমস্যাতহে পৰিল। অন্য নহয়, নীতাৰ সন্মুখলৈ যাব তাই। কি কি বা মন্তব্য দিয়ে আজি। কিবা নহয় কিবা এটা তাইৰ মুখত থাকিবই সদায়। অকল তাইকেই নহয়, যাক ক'ম বুলি ভাবে তাই ক'বই — ছেলোৱাৰ যোৰৰ লগত য়েৰ ৰিং মিলাব লাগিছিল দাৰ্লিং, বেছি জিলিকিলাহেঁতেন। লিপষ্টিকটো ডাৰ্ক লৈছা, বেয়া লগা নাই। মুখখনেও যেন সামান্য ভংগিমা দি যায়। অনুৰাধাই শুনি যায়। প্ৰত্যুত্তৰ নিদিয়াও নহয় মাজে মাজে। কিন্তু পিছদিনাও আকৌ সেই একেই। কাকো বেয়া পোৱা যেন নালাগে নিতাক। অথচ তাই আঁতৰি যোৱাৰ লগে লগে কিমান যে ফুচ্‌ফুচনি নোলায় কমন ৰুমত। অনুৰাধাই যিমান পাৰে এৰাই চলিবলৈ যত্ন কৰে। কিন্তু একে কৰ্মস্থলী হোৱা হেতুকে সেয়া অসম্ভৱ হৈ পৰে। এবাৰ কম্পিউটাৰ শিক্ষয়িত্ৰী মালৰিকাই কিবা কথাত জাঙুৰ খাই কিবাকিবি কৈ দিলে নিতাক। নিতায়ো মুখ চলালে। কিন্তু সকলোকে আচৰিত কৰি পিছদিনা নিতায়েই আগবাঢ়ি মুখ ওফোন্দি থকা মালৰিকাক মাত লগালে। ঘৰৰ পৰা বনাই অনা পুৰি চজিও টিফিনত খুৱালে। স্কুলৰ পিক্‌নিক্‌, যিকোনো অনুষ্ঠান, স্কুল বা আন্তঃস্কুল প্ৰতযোগিতাসমূহ, পঢ়ুওৱাৰ ক্ষেত্ৰত— সকলোতে আগত থাকে নিতা। এককথাত নিতা স্কুলখনৰ এছেট। সেইজনী নিতায়েই অনুৰাধা ছুটী লৈ ঘৰত থাকোঁতে সময় উলিয়াই এদিন অহি চাই গ'ল। বিছনাত পৰি থকাৰ পৰাই প্ৰমাদ গণাৰ দৰে হৈছিল অনুৰাধাৰ। ক'ৰবাত কিবা এটা সুবিধা পালেই যেন তাই শুনাই থৈ যাব — চাহৰ কাপটোৰ কণমানি হেণ্ডেল ডালত লাগি থকা সামান্য ক'লা দাগটোৰ পৰা ফাৰ্নিচাৰত পৰি থকা ধূলিৰ চামনিটোলৈ, পৰ্দাৰ ৰংটোৰ পৰা ক'ৰবাত অকণমান জিলিকি থকা মকৰাজাল, সকলো। পিছে অনুজ থকাৰ কাৰণেই নেকি নিতাই সেইদিনা খুব সাধাৰণভাৱেই কথা পাতি তাইৰ খা-খবৰ ল'লে। পথ্য হিচাপে খাদ্যৰ সৰু-সুৰা মেন্যু এখনো দিলে। তাৰ পিছত আৰু দুদিন আহিল তাই। অনুৰাধাই চাহ কৰিব খোজোতে নিদিলে। নিজে অনা খোৱা বস্তুকেইপদ প্লেট এখনত সজাই তাইক খুৱাই থৈ গ'ল।

'মানুহগৰাকী তুমি ভবাৰ দৰেই নহয় চাগে, অনু। অন্তৰখন কোমল।' অনুজৰ কথাত সঁহাৰি জনাবলৈ ৰৈ গৈছিল অনুৰাধা। তিনি নম্বৰবাৰ নিতা আহোঁতে অনুৰাধা আচৰিতেই হ'ল। কাৰণ, তেতিয়ালৈকে তাই ভালেখিনি সুস্থ অনুভৱ কৰিছে। সেইবাৰ অনুজে কোৱা কথাটোকেই তাই হয়তো মানিলেহেঁতেন, যদিহে যোৱাৰ আগতে একেই সুৰত — 'তোমাৰ চুলিখিনিত কালাৰ কৰি ল'বা জইন কৰাৰ আগতে। বয়সীয়াল যেন লাগিছে— বুলি নিতাই কৈ থৈ নগ'লহেঁতেন। তাই ওলাই যোৱাৰ পিছত অনুৰাধা খঙত জ্বলি-পকি উঠিল— নিতাই কি জানে। একোৰে চিন্তা নাই। চেণ্ট্ৰেল চৰকাৰৰ চাকৰি কৰা মানুহ পাইছে, ল'ৰা ক্ৰেছত থৈ, হোষ্টেলত থৈ বিণ্ডাছ চাকৰি কৰিছে। আচলতে চাকৰি নকৰিলেও হয় তেওঁৰ। ষ্ট্ৰেছ কি চিনি নাপায় — আৰু সৰ্বজন্তা তেওঁ! নজনা কথা একোৱেই নাই। কথা শুনাবলৈ আহে...' অনুৰাধাই বকি বকি ইফালৰ পৰা সিফালে খোজকাঢ়ি ফুৰে।

সেই নিতাৰে বায়েকৰ ছোৱালীৰ বিয়ালৈ যাবনে নাযাব ভাবি থাকোঁতেই কথাবোৰ অনুৰাধাৰ মনলৈ আহিল।

সন্ধিয়া অকলে বিয়াঘৰ ওলালগৈ অনুৰাধা। মহানগৰীৰ মাজমজিয়াৰ এটা সুবিধাজনক বিবাহ ভৱন। অনুৰাধাই দ্বিতীয় মহলাত পদাৰ্পণ কৰাৰ সময়ত বিবাহ অনুষ্ঠানটোত বিশেষ ভিৰ নাছিল। ডীনাৰৰ সময় তেতিয়াও হোৱা নাছিল। নিতাৰ বাহিৰে তাত অনুৰাধাই কাকো চিনিও নাপায়। অনুৰাধাক দেখিয়েই নিতা আগবাঢ়ি আহিল।

অ' মাই ডাৰ্লিং! ইয়ু লুক গৰ্জীয়াছ টুডে।

অনুৰাধাই মিচিকিয়াই হাঁহিলে। নিতাই কইনাৰ কাষলৈ নি চিনাকি কৰাই দিলে। লগতে কইনাৰ মাক-দেউতাক, অঙহী-বঙহি, ইজন- সিজনকে ধৰি বহুত মানুহৰ লগত এফালৰ পৰা পৰিচয় কৰি দিলে। সকলোতে নিতাৰ এটাই ভাষ্য — এওঁ মোৰ কলিগ কাম ছিষ্টাৰ। মোৰ সৰু ভণ্টি।

অনুৰাধাৰ নিজৰ কাণখনকে অবিশ্বাস্য যেন লাগিল। তাই নিতালৈ চালে। বব কাট চুলিখিনি ব্লণ্ড কৰি থোৱা-সদায়ৰ দৰে। ছিলভাৰ গুণা আৰু বগা বুটা বছা এযোৰ সৰিয়হ ফুলৰ বৰণৰ কাপোৰ, ওলোমা কাণফুলি, ডাঙৰ ৰঙা বিন্দি— এই সকলোৰে নিতাক অপৰূপ সুন্দৰ লাগিছে। জোঙা নাক আৰু তীক্ষ্ণ চাৱনিৰে নিতা সদায়েই এখোপ আগবঢ়া। তাৰ মাজতেই অনুৰাধাই ভাবি থাকিল এইমাত্ৰ যেন নিতাই কৈ দিব — অনুৰাধা, বেলেগ ৰঙৰ কাপোৰ নিপিন্ধিলা কিয়? ইমান মৰা ৰঙো পিন্ধেনে বিয়াত! কিন্তু তেনেকুৱা একো নক'লে নিতাই। গোটেই সময়খিনি নিতা তাইৰ কাষে কাষে থাকিল। একেলগে ষ্টাৰ্টাৰ ল'লে। ক্লাছৰ ল'ৰা-ছোৱালীবোৰৰ কথা উলিয়ালে— টিন এজ সোমোৱাৰ বাবে সিহঁতৰ স্বভাৱৰ কিয়ে পৰিৱৰ্তন আহিছে বুলি তাই

অনুৰাধাৰ গত হেঁচুকি এটা অৰ্থপূৰ্ণ হাঁহিও মাৰিলে। অনুৰাধাৰ কিবা এটা ভাল লাগি গ'ল নিতাজনীক। হাঁহিলে তাইৰ চকু দুটা সৰু হৈ গাল দুখন দুটা ডিম্পল জিলিকি পৰে — অনুৰাধাই আজিহে যেনে মন কৰিলে সেই কথা।

'হেই! কি ভাবি আছা? আহা আহা ফটো তোলো। বিয়াত ইমানকে সাজি আহি ফটো নুতুলিলে হ'বনে কিবা!'

তাই অনুৰাধাক প্ৰায় টানি নিয়াৰ দৰে কৰে।

অনুৰাধাই যাওঁ-নাপাওঁ কৰে।

মানুহে চাই কি ক'ব!

'আৰে আহা আকৌ! কি ভাবিছা। ধুনীয়া হ'ব ফটো চাবাচোন। আৰু চাদৰখন মেলি লোৱাচোন! মই ঠিক কৰি দিম?

'নিতা বা! নালাগে নেকি। মই এনেকৈয়ে...

'আৰে একো নহয় দিয়েৰ! মোৰ চিনাকি ছোৱালী এজনীয়ে 'মুৱা' আজি। তাইক মতি দিম নহয় লাগে যদি।'

ভিন্ন ৰঙী ফুলৰ থোপা, ক'ৰবাত ৰঙীণ বেলুন এথোপা, ডেকৰেটিভ লাইট আদিৰে গোটেই বিবাহ ভৱনটোৱেই সজাই জিলিকাই থোৱা আছে। নিতাই এফালে ইয়াত এনেকৈ, তেনেকৈ— সৌতাত তেনেকৈ বুলি কেইবাখনো ফটো তুলিলে। কিছুমান অকলে কিছুমান যুৱীয়া, অনুৰাধাৰ লগত। অনুৰাধাৰ প্ৰথমতে অলপ বিৰক্তি লাগিছিল, কিনো আৰু ফটো তুলি থাকিব খোজে ছোৱালীৰ নিচিনা বুলি। কিন্তু লাহেকৈ তাইৰ নিজৰেই দেখোন কিবা এটা ভাল লাগিবলৈ ধৰিলে। লাহেকৈ নিজৰ মোবাইল উলিয়াই ল'লে তাই। ছেলফি কেমেৰাটো খুলিলে। লাহেকৈ এখন দুখনকৈ ফটোও তুলিলে। নিতাৰ আন চিনাকি যুৱতী-মহিলা দুগৰাকীমান আহিও লগ দিলে। কিছুমান প'জ দিবলৈ গৈ যে দুয়ো হাঁহিত ক'ব নোৱাৰা হৈ পৰিল। হাঁহি হাঁহি খাবলৈ সজাই থোৱা টেবুল এখনত দুয়ো বহিলগৈ। ৰোফ টপ ৰিচিপচন। গীতাৰত মিহি সুৰ এট তুলি এজন গায়কে পশ্চিমীয়া লয়ত এটি সুৰ টানিছে। বতাহত হিম সৰিছে। গৰম তণ্ডুৰৰ পৰা ধোঁৱাবোৰ ওপঙি বতাহজাকত ধীৰে ধীৰে মিহলি হৈ বৈ গৈছে। সকলোবিলাক মিলি গোটেই পৰিৱেশটোৱেই যেন লাহে লাহে এক অযান্ত্ৰিক ৰূপ লৈছে। যান্ত্ৰিক মহানগৰীৰ তীব্ৰ ব্যস্ততা, দৌৰা-ঢপৰা সকলোৱে পাহৰি পেলাইছে। অতিথিসকলোৱেও য'ত মন গৈছে তাতেই জুম বান্ধিছে। খাইছে। হাঁহিছে। হাতত কফি একাপ লৈ অনুৰাধা কিবা ভাৱত তন্ময় হৈ ৰয়।

'চাওঁ, চুলিখিনি খোলাচোন তোমাৰ। ওমমমম... এনেকৈয়ে বেছি ভাল লাগিছে। ৰ'বা তোমাৰ ফটো এখন তুলোঁ।'

অনুৰাধাই না নকৰিলে। কিবা এটা ভালেই লাগিছে দেখোন — অনুৰাধাই মনতে ভাবিলে।

'তুমি বহুত বেলেগ নিতা বা। মই ভবাতকৈ... মানে আমি ভবাতকৈ...

'হ'বচোন হ'ব, ডিয়েৰ! মই সকলো জানো। আচলতে ডিপ্ৰেচনৰ পৰা সাৰ পোৱা মানুহ মই। এই ভাল লগা, বেয়া লগাৰ পৰা বহুত দূৰলৈ আঁতৰি আহিলোঁ। এতিয়া আৰু...'

'কি কোৱা! তুমি আৰু ডিপ্ৰেছন? তুমি একুৱা জুই!!'

অকস্মাতে অনুৰাধাৰ মুখৰপৰা ওলাই যায় সেই শব্দ।

কেটাৰিঙৰ ছোৱালী এজনীৰপৰা নিতাই জুচ এগিলাচ লৈ সাধাৰণভাৱে কৈ যায় — 'মই জানো মোক তেনেকৈয়ে ভাবে সকলোৱে। কাৰো ভুল নাই তাত। আমি ইমান ব্যস্ত যে যি দেখা পাওঁ তাকেই লৈ আগবাঢ়ি যাওঁ। ৰ'বলৈ, ৰৈ ভাবিবলৈ কাৰোবাৰ অকণমানো আহৰি আছে জানো আজিৰ তাৰিখত?'

অনুৰাধাৰ হাতৰ ওপৰত লাহেকৈ নিতাই হাতখন থয়।

'বাহিৰৰ পৰা মই সকলোৱে চকুত এখন ভৰা সংসাৰ লৈ চলাই আছোঁ, নহয়নে। আচলতে মই তেনেই অকলশৰীয়া, অনু!' অবোধ শিশুৰ দৰে নিতাৰ মাতটো তেনেই ঠুনুকা, অলপ স্পৰ্শতে যেন পাৰ ভাঙি বৈ আহিব এআকাশ বাৰিষা।

এখন খোলা কিতাপ হৈ পৰি ৰৈছে তাই অনুৰাধাৰ সন্মুখত।

ভবা ধৰণে বিচাৰিলেই জীৱনটোৱে মানুহৰ হাতত সেই ধৰণে ধৰা নিদিয়ে। নিতাৰ সংসাৰখনো যেন তাতোকৈ বেছিয়েই হ'ল। কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়াল কৌস্তভ প্ৰায়েই অফিচৰ কামত অন্য ৰাজ্যৰ লগতে বিদেশতো যাবলগীয়া হয়। কিন্তু লাহে লাহে কৌস্তভ যেন সদায়েই আঁতৰি থাকিবলৈ ভালপোৱা হ'ল। নিতাৰ প্ৰতিটো কথাতে তাৰ আপত্তি অহা হ'ল। নিতাৰ কৰ্তব্য কেৱল শাহু-শহুৰক চোৱাচিতা কৰা আৰু ল'ৰাটোৰ দায়িত্ব লোৱা, বচ। একেলগে ফুৰা-চকা কৰা, পৰিয়ালক সময় দিয়া— এইবোৰ যেন কৌস্তভৰ বাবে নাছিল। চকুপানী আৰু কাতৰ অনুৰোধ — একোৱেই কৌস্তভৰ কাষ চাপিব নোৱাৰিলে। এটা সময়ত অনুৰাধাই নিজকে চাৰিবেৰৰ মাজত আবদ্ধ হোৱা, দায়িত্ব পালন কৰি যোৱা মেচিন এটাৰ দৰে আৱিষ্কাৰ কৰিলে। এনেকুৱা দিনো আহিল অকলশৰীয়া পাহাৰৰ শেষ চূড়াত বৈ জীৱনৰ অন্তিম ছবিখন আঁকি যোৱাৰ পৰিকল্পনাও তাই কৰি পেলালে।

এটা গধুৰ হুমুনিয়াহ এৰি নিতা ৰৈ যায়।

'ছিজ বাৰষ্ট পিজ্জা খাইছা, অনুৰাধা? মোৰ জীৱনটো পিজ্জাৰ বেছটোৰ দৰে। ওপৰৰ পৰা চালে মখমলৰ দৰে কোমল, একেবাৰে তলত নিৰস।'

অনুৰাধাই কি ক'ব ভাবি নাপালে। চিঞৰ- বাখৰ কৰি যি-তি কৈ দিব পৰা মানুহ এজনীৰ ভিতৰখন কাহানিও ভৰি নিদিয়াকৈ থকা এখন অটব্য অৰণ্যৰ দৰেই দেখোন ৰহস্যময়।

'মই তোমাৰ দৰেই আছিলোঁ জানা, অনুৰাধা। চুলি দীঘলকৈ ৰাখিছিলোঁ। এজনী সাধাৰণ ছোৱালী। এখন সাধাৰণ সংসাৰৰ সপোন মোৰো আছিল। আচ্ছা, তোমাৰ তালৈ যে গৈছিলোঁ তুমি চাগে বিৰক্তও হৈছিলা নহয়নে? আচলতে তোমাৰ আৰু তোমাৰ সংসাৰখনৰ মাজত মই নিজকে দেখিছিলোঁ। তুমি লাকী— অনুজৰ দৰে মৰমিয়াল মানুহ পাইচা—' নিতাই লাহেকৈ অনুৰাধাৰ হাতখনত ধৰে — 'ধৰি থ'বা।'

গীটাৰৰ মৃদু সুৰ এটি নিৰন্তৰ বৈ আহিছে। অনুৰাধাৰ মনটো সেমেকি উঠিল। শব্দবোৰৰ সৈতে সম্পৰ্কৰ ধাতৰ স্পৰ্শত হেৰাই যোৱা কোমল মতীয়া নিতাজনী সেই সুৰৰ মাজেৰে ওপঙি ফুৰিল।

'আৰু তাৰ পিছত কি হ'ল জানা!'

হঠাৎ সেই সদায় দেখা নিতা যেন ক'ৰবাৰপৰা উবুৰি খাই পৰিলহি। 'যিদিনা অনুভৱ কৰিলোঁ আৰে মইতো যন্ত্ৰ নহয়, ময়ো মানুহ — এখন মৰমৰ হাতৰ পৰশ মোৰো প্ৰয়োজন, সেইদিনাই মই নিজক বিচাৰি পালোঁ। সেই হাতখন দৰাচলতে মোৰ নিজৰেই হাত। সেই কথা অনুভৱ কৰাৰ পিছতেই সকলো সলনি হৈ পৰিল জানা! প্ৰতিদিনাই মৃত্যু হোৱা সেই মানুহজনীক জীয়াই তুলিলোঁ। চাকৰিত সোমালোঁ। জীম এখনতো যোগদান কৰি মোৰ গোটেই সংজ্ঞাটোকেই সলাই পেললোঁ। লাহে লাহে মোৰ আত্মবিশ্বাস বাঢ়ি আহিল। বহুত নতুন বন্ধু-বান্ধৱী লগ পালোঁ। আই ট'টেলি চেঞ্জড মাই ছেল্‌ফ ইন ব'থ ৱেইয়জ। এতিয়া মোক ট্ৰেইনাৰে সৰু-সুৰা কম্পিটিচনবোৰত ভাগ ল'বলৈও কৈছে — ৱেট লিফটিং, ইউ ন'।'

গধুৰ বতাহ এছাটি যেন আহিও আঁতৰি গ'ল।

অনুৰাধাৰ দুচকুত নিতাক জক্‌মকাই ফুলি থকা ৰঙা গোলাপৰ দৰে লাগিল। একে বাৰে সতেজ এজোপা গোলাপ। নিতাৰ প্ৰতি থকা সকলো ভাবনা কৰ্পূৰৰ দৰে উৰি গ'ল। কৌস্তভক ভিতৰি ধন্যবাদ দিলে অনুৰাধাই। নহ'লে গুণৰ অধিকাৰী হৈয়ো নিতা হাজাৰৰ মাজত হয়তো হেৰাই গ'লহেঁতেন। অনুৰাধাকো তাই জীমৰ কাৰ্ড এখন দিছে — নিজকে আৱিষ্কাৰ কৰিবলৈ ইচ্ছা আছে যদি তাই যাব পাৰে, নিতাই চকু টিপিয়াই কোৱা কথাষাৰ তায়ো চকুৰ টিপতে সামৰি লয়। এণ্ডাৰ বেছি হ'লে চাগে মনবোৰো বেছি পোহৰ পিয়াসী হৈ পৰে। নিতাৰ পিছে পিছে অনুৰাধা মানুহৰ সমাগমৰ ফালে আগুৱাই যায়।

শীতৰ সেমেকা বতাহ, ধোঁৱা আৰু গীটাৰৰ সুৰৰ লহৰে মনোমোহা চিম্ফনী জুৰিছে। এমুঠি সেউজীয়া যেন কোনোবাই তাত ছটিয়াই দিলে।

ফোন ঃ ৮০১১৭-৯৫৪১১

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ১৫ ডিচেম্বৰ ২০২৪

# অস্তিত্বৰ সংকটত কাছ

...কাছ সংৰক্ষণৰ বাবে মানুহৰ মাজত জনসচেতনতা অনাৰ লগতে কাছক অস্তিত্বৰ সংকটৰ পৰা মুক্ত কৰি প্ৰকৃতি প্ৰাণৱন্ত কৰি ৰখাৰ উদ্দেশ্যে বিশ্বৰ প্ৰকৃতিপ্ৰেমী আমেৰিকাৰ পৰিৱেশ সংগঠন 'American Tortoise Rescue'-এ ১৩ মে'ৰ দিনটো 'বিশ্ব কাছ দিৱস' হিচাপে পালন কৰে...



**পৃথিৱীৰ** জলবায়ুৰ অস্বাভাৱিক তাৰতম্যৰ বাবে বহুতো জলজ প্ৰাণী বৰ্তমান বিপন্ন হৈ পৰিছে। নৈ, বিল, জান, জুৰি, জলাশয়ত বিহ আৰু কীটনাশক দ্ৰব্য প্ৰয়োগৰ বাবে লুপ্তপ্ৰায় হৈ বহু জলত প্ৰাণীৰ লগতে কাছৰ জীৱনলৈও ভাবুকি কঢ়িয়াই আনিছে। জলাশয়সমূহত সহনশীল পৰিৱেশৰ অভাৱৰ লগতে কাছক দেখা মাত্ৰই ধৰা বা মাৰি পেলোৱা আদিও কাছ দিনকদিনে লুপ্তপ্ৰায় হৈ পৰাৰ অন্যতম কাৰণ। অসমৰ প্ৰাকৃতিক পৰিৱেশ কাছৰ বাবে উপযোগী যদিও মানুহৰ নিষ্ঠুৰতা, খেতিপথাৰত কীটনাশ দ্ৰব্য প্ৰয়োগ, বিহ প্ৰয়োগ বন ধ্বংস আদিৰ বাবে কাছ নিশ্চিহ্ন হ'বলৈ ধৰিছে। নদ-নদী, জলাশয়, পিটনি আদিত থকা কাছ বাৰিষা প্ৰজনন বা কণী পাৰিবলৈ পাৰলৈ উঠি আহে। তেনে সময়তে একাংশ চোৰাং চিকাৰীয়ে কাছ ধৰি বিক্ৰী কৰাৰ লগতে মাংস আৰু খোলাটোও বিক্ৰী কৰে। কাছৰ খোলাত প্ৰচুৰ পৰিমাণে কেলচিয়াম থাকে বুলি বিশ্বাস কৰা হয়।

কাছ সৰীসৃপৰ চেল'নিয়া (chelonia) বৰ্গৰ ভিতৰত পৰে। দুৰা কাছ সাগৰৰ লগতে জলাশয় আৰু মাটিত থাকে। পৃথিৱীৰ প্ৰাচীন প্ৰাণীসমূহৰ অন্যতম কাছৰ প্ৰায় ৫০০ প্ৰজাতি আছিল যদিও বৰ্তমান প্ৰায় ২০০মান প্ৰজাতিৰ কাছ দেখিবলৈ পোৱা যায়। বিভিন্ন পৰিৱেশত নিজৰ শৰীৰৰ ভিতৰ তাপমাত্ৰা পৰিৱৰ্তন কৰিব পাৰে বাবে কাছক শীতলৰক্তী প্ৰাণী বোলা হয়। কাছৰ উপৰিভাগক চলং (carapace) আৰু তলৰ অংশক অধৰচলং (plastron) বুলি কোৱা হয়। অসমৰ বিভিন্ন জলাহ ভূমিত বৰ কাছ, উলু কাছ, দুৰা কাছ আৰু খনৌ কাছ, হালধীয়া ফুটুকী কাছ আদি দেখিবলৈ পোৱা যায়। বৰ্তমান কাছ বিপন্ন প্ৰজাতিত পৰিণত হৈছে। পানী আৰু মাটি উভয়তে কাছই বাস কৰে।

ভাৰত মহাসাগৰত বৃহৎ বৃহৎ কাছ দেখিবলৈ পোৱা যায়। ইহঁতৰ ওজন প্ৰায় ৬০০ কেজিলৈকে হয়। কাছৰ ধুনীয়া চলংখনৰ পৰা বিভিন্ন ধুনীয়া ধুনীয়া সামগ্ৰী তৈয়াৰ কৰা হয়। কাছৰ শৰীৰটো হাড়ৰ বৰ্মৰে গঠিত। দেহটো চলংখনৰ ভিতৰত সোমাই থাকে। ডিঙি, ঠেং আৰু নেজডাল চলঙৰ বাহিৰত থাকে আৰু মুক্তভাৱে লৰচৰ কৰিব পাৰে। কাছ মতা, মাইকী দেখাত একে যদিও মতাবোৰৰ নেজ দীঘল আৰু তলফালৰ অধৰ চলংখন ভিতৰলৈ সোমোৱা। কাছই মাটিত কণী পাৰে। মাইকী কাছই কণীৰ বাবে গাঁত খান্দে আৰু এবাৰত ৩০টামান কণী পাৰে। কণীবোৰ মাটি, বালি আদিৰে ঢাকি দিয়ে। কণী ফুটি পোৱালি ওলাবলৈ ৬০-১২০ দিনমান লাগে। কাছৰ চলঙৰ ওপৰৰ অংশত সমকেন্দ্ৰবিশিষ্ট ৰিং থাকে। এইবোৰৰ পৰা কাছৰ বয়স গণনা কৰিব পাৰি। কাছ প্ৰায় ১০০ বছৰমান জীয়াই থাকে। অধিকাংশ স্থলত বাস কৰা কাছ তৃণভোজী। কাছই ঘাঁহ, পাত, ফুল, ফল, জলজ উদ্ভিদ খায়। বৰ কাছ অসম, বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, উৰিষ্যা আদি ৰাজ্যত দেখা পোৱা যায়। কাছৰ দীঘল ডিঙি আৰু নলীৰ দৰে থুঁতৰিবোৰে কাছৰ নাকটো পানীৰ পৰা বাহিৰলৈ উলিয়াই উশাহ ল'বলৈ সহায় কৰে। সংকুচিত খোলাটোৱে কাছৰ দ্ৰুতভাৱে সাঁতুৰিবলৈ সহায় কৰে।

কাছক প্ৰকৃতিৰ মাজত সুস্থভাৱে জীয়াই ৰাখিবৰ বাবে চৰকাৰৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহায় আৰু সহযোগিতাৰ লগতে গণ মাধ্যমসমূহো অধিক সক্ৰিয় হোৱাৰ প্ৰয়োজন নহ'লে পৃথিৱীৰ বুকুৰ পৰা কাছ এদিন বিলুপ্ত হ'ব। কাছ সংৰক্ষণৰ বাবে মানুহৰ মাজত জনসচেতনতা অনাৰ লগতে কাছক অস্তিত্বৰ সংকটৰ পৰা মুক্ত কৰি প্ৰকৃতি প্ৰাণৱন্ত কৰি ৰখাৰ উদ্দেশ্যে

◻ মুকুল শৰ্মা

বিশ্বৰ প্ৰকৃতিপ্ৰেমী আমেৰিকাৰ পৰিৱেশ সংগঠন 'American Tortoise Rescue'-এ ১৩ মে'ৰ দিনটো 'বিশ্ব কাছ দিৱস' হিচাপে পালন কৰে। ২০০০ চনৰ পৰা পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত এই দিৱস পালন কৰি অহা হৈছে।



কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থকা সৰু-বৰ বিলবোৰত অসংখ্য দুষ্প্ৰাপ্য প্ৰজাতিৰ জলচৰ প্ৰাণী সুৰক্ষিত হৈ আছে। এজন বনকৰ্মী হিচাপে উদ্যানত বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে বিভিন্ন সময়ত বিভিন্ন ঠাইত টহলদাৰী কৰাৰ সময়ত বিলৰ পাৰত বা পানীত নানাবিধৰ জলচৰ প্ৰাণী দেখিবলৈ পাইছিলোঁ। ফেব্ৰুৱাৰী মাহৰ শেষৰ ফালে নতুনকৈ গজা ইকৰাৰ গজালি খাবলৈ জাক জাক দুৰা কাছ বিলৰ পৰা পাৰলৈ উঠি অহা দেখিছিলোঁ।

প্ৰাকৃতিক আৱাসস্থলীৰ পৰা কাছ নোহোৱা সময়ত অসমৰ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত, শোণিতপুৰৰ নাগশংকৰ মন্দিৰত, গুৱাহাটীৰ উগ্ৰতাৰা মন্দিৰত, গোলাঘাটৰ আঠখেলীয়া নামঘৰ আদিৰ পুখুৰীসমূহত কাছ সংৰক্ষণৰ কথাই কিছু আশাৰ বতৰা কঢ়িয়াই আনিছে। এই পুখুৰীসমূহত প্ৰায় ১০টামান প্ৰজাতিৰ কাছই বাস কৰে।

দুলীয়াজান চহৰৰ কিছু নিলগত থকা মেৰবিল হ'ল চৰাই, সৰীসৃপ, কীট-পতংগ ইত্যাদিৰ প্ৰাকৃতিক ৰম্যভূমি। যোৱা ৯ ছেপ্টেম্বৰত মেৰবিলৰ পৰা এটা প্ৰায় ১২ কেজি ওজনৰ বৰ কাছ দুলীয়াজান-নামৰূপ পথলৈ উঠি আহে। সেই পথেৰে অইলৰ কৰ্মচাৰী অনা-নিয়া কৰা বাছ এখনৰ চালক আৰু সহযোগীয়ে কাছটো দেখা পাই বাছত উঠাই লয়। দুলীয়াজান আৰক্ষীয়ে গম পাই কাছ, বাছ আৰু ব্যক্তি দুজনক আটক কৰি তিনিচুকীয়া বন কাৰ্যালয়ৰ বন বিষয়াক চমজাই দিয়ে। ১৯৭২ অসম বন্যপ্ৰাণী সুৰক্ষা আইনৰ ৫১ ধাৰা অনুসৰি অপৰাধী দুজনক গ্ৰেপ্তাৰ কৰি বন গোচৰ ৰুজু কৰি আদলতত হাজিৰ কৰায় আৰু বাছখন জব্দ কৰে। মুখ্য বিচাৰপতিয়ে অপৰাধী দুজনক কাৰাগাৰলৈ প্ৰেৰণ কৰিবলৈ আদেশ দিয়াৰ লগতে কাছটো প্ৰাকৃতিক নিজা পৰিৱেশত এৰি দিবলৈ কয়।

কাছ ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনৰ ১নং তালিকাভুক্ত। কাছৰ চোৰাং চিকাৰ বা ৰখা আৰু ইয়াৰ শৰীৰৰ অংগসমূহৰ অবৈধ ব্যৱসায় কৰাটো এটা ডাঙৰ অপৰাধ, যাৰ বাবে তিনিৰ পৰা সাত বছৰৰ ভিতৰ কাৰাদণ্ড হ'ব পাৰে। বন্যপ্ৰাণী সুৰক্ষা আইনখন ভালদৰে নজনাৰ বাবে বহু মানুহে কাছ চিকাৰ কৰাৰ লগতে মাংস বিক্ৰী কৰি খায়।

**ফোন ঃ ৮৮২২২-৫৫৩৮৫**

## সপ্তাহটোৰ আলোকচিত্ৰ



মডেল ঃ বন্দিতা ডেকা
ফটো ঃ হীৰক ডেকা

## কুইজ বিচিত্ৰা-ওঠৰ

◻ নৰকান্ত বৈশ্য

**বিগত** ৮ ডিচেম্বৰ দেওবাৰে সহ-জিলা প্ৰশাসনৰ উদ্যোগত খেল মহাৰণ-২.০ৰ অংশৰূপে এখন সদৌ অসম ভিত্তিত আন্তঃবিদ্যালয় প্ৰাইজমানী কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। প্ৰাৰম্ভিক আৰু চূড়ান্ত ৰাউণ্ডৰ শেষত নিউ স্ক'লাৰ্চ একাডেমীৰ স্বাগত প্ৰাণ দত্ত আৰু নিলাভ নিবিড় মহন্তৰ দলে ৭,৫০০ টকাৰ প্ৰথম পুৰস্কাৰ, জ্ঞান ভাৰতী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সৌম্যব্ৰত বৰা আৰু দেদিপ্যায়ন শইকীয়াৰ দলে ৫,৫০০ টকাৰ দ্বিতীয় পুৰস্কাৰ তথা শংকৰদেৱ শিশু নিকেতন, গহপুৰৰ প্ৰিয়ম সুবেদী আৰু প্ৰসন্ন পেগুৰ দলে ৩,৫০০ টকাৰ তৃতীয় পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাখন পৰিচালনা কৰিছিল এই শিতানৰ পৰিচালকে। কুইজৰ বাতৰি তথা যিকোনো তথ্য প্ৰকাশৰ বাবে আমাৰ শ্ৰদ্ধাৰ পাঠকসকলে ৮৬৩৮৩-৭৮৩৬৯ ম'বাইল নম্বৰত এছএমএছ বা হোৱাট্ছএপযোগে অথবা quizbichitra@gmail.com ত ই-মেইলযোগে প্ৰেৰণ কৰিব পাৰে।

### সংবাদ শিৰোনাম

১. নেটুম্বু নন্দি-দাইত্যোৱা কোন দেশৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হৈছে?
২. ২০২৪ বৰ্ষৰ বাবে অক্সফ'ৰ্ড বৰ্ষটোৰ শব্দ ৰূপে নিৰ্বাচিত হোৱা ইংৰাজী শব্দটো কি?
৩. কোন ৰাজ্যত আন্তঃৰাষ্ট্ৰীয় গীতা মহোৎসৱ-২০২৪ আয়োজিত হৈছে?
৪. ভাৰতৰ কোন ৰাজ্যই অলপতে ইলেক্ট্ৰিক সা-সৰঞ্জামৰ মিতব্যয়িতাৰ বাবে 'উৰ্জাবীৰ' নামৰ এখন আঁচনি মুকলি কৰিছে?
৫.কোন সংস্থাই শেহতীয়াভাৱে বতৰৰ আগজাননী দিয়াৰ বাবে Gencast নামৰ এটা আৰ্টিফিচিল ইণ্টেলিজেঞ্চ মডেল মুকলি কৰিছে?

### যাদুঘৰ

১. ব্ৰিটিছ সম্ৰাট পঞ্চম জৰ্জৰ ভাৰত ভ্ৰমণৰ স্মৃতি যুগমীয়া কৰিবলৈ কেইগৰাকীমান মুম্বাইৰ বিশিষ্ট ব্যক্তিয়ে স্থাপন কৰা এই যাদুঘৰটো ১৯৯৮ চনত নতুনকৈ নামকৰণ কৰা হৈছিল। কোনটো যাদুঘৰ?
২. হায়দৰাবাদৰ সপ্তম নিজামৰ প্ৰধানমন্ত্ৰী মিৰ ইউছুফ আলী খান (১৮৮৯-১৯৪৯) এগৰাকী কলাপ্ৰেমী ব্যক্তি আছিল আৰু তেওঁৰ দ্বাৰা সংগৃহীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ কলাত্মক সামগ্ৰীৰ বিশাল সংগ্ৰহেৰে স্থাপিত ব্যক্তিগত যাদুঘৰ ১৯৫১ চনৰ ১৬ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰীয় সংগ্ৰহালয় ৰূপে মুকলি কৰা হয়। কোনটো যাদুঘৰ?



৩. ভাৰতবৰ্ষৰ আটাইতকৈ পুৰণি আৰু বৃহৎ যাদুঘৰটো এছিয়াটিক ছ'চাইটী অৱ বেংগলৰ দ্বাৰা ১৯১৪ চনত স্থাপন কৰা হৈছিল। কোনটো জানেনে?
৪. ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মৰিচ গোৱাৰৰ অধ্যক্ষতাত গঠিত এখন সমিতিয়ে ১৯৪৬ চনত এই যাদুঘৰটো স্থাপনৰ বাবে চৰকাৰক পৰামৰ্শ প্ৰদান কৰিছিল। ১৯৪৯ চনত ভাৰতৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত স্থাপন কৰা এই যাদুঘৰটোৰ নাম কি?
৫. দিল্লীৰ বাহাদুৰ শ্বাহ জফৰ মাৰ্গত অৱস্থিত তথা ১৯৬৫ চনৰ ৩০ নৱেম্বৰত স্থাপিত আন্তঃৰাষ্ট্ৰীয় পুতলা সংগ্ৰহালয়ৰ প্ৰতিষ্ঠাপকগৰাকী এগৰাকী বিখ্যাত কাৰ্টুনিষ্ট তথা চিলড্ৰেন বুক ট্ৰাষ্টৰ প্ৰতিষ্ঠাপক। তেওঁ কোন জানেনে?

### কুইজ বিচিত্ৰা (সোতৰ)ৰ উত্তৰসমূহ

১. সংবিধানৰ প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' আৰু 'সমাজবাদী' শব্দ দুটা যোগ কৰা।
২. উৰুগুৱে।
৩. বাল বিবাহমুক্ত ভাৰত।
৪. অসমৰ কাজিৰঙাত।
৫. এছিয়ান ডেভেলপমেণ্ট বেংক।
৬. আহাৰ।
৭. বাদল সৰকাৰ।
৮.এই নাটকখনক বিশ্বৰ প্ৰথমখন এবছাৰ্ড নাটক বোলা হয়।
৯. বসন্ত শইকীয়া।
১০. তদানীন্তন বিদ্ৰোহী তথা কাৰাবন্দী নাট্যকাৰ আৰু ১৯৮৯ চনত ছেকোশ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি বাশ্লাভ হাভেল।
১১. বেলে নৃত্য।

**সপ্তাহটোৰ প্ৰশ্ন**

কোনটো জনপ্ৰিয় আৰু দৈনন্দিন জীৱনত ব্যৱহৃত শব্দ সৰ্বপ্ৰথম টমাচ আলভা এডিচনে ব্যৱহাৰ কৰিছিল বুলি কোৱা হয়?

## ৰেচিপি



### বেঙেনাৰে অমিতাৰ ফুল

**উপকৰণ ঃ অমিতাৰ ফুল ১ মুঠি, কণী বেঙেনা ৩/৪টা, সৰু আকাৰৰ আলু ১টা, মাহগুটি, খাজুৰী ২টা, নিমখ, হালধি, গৰম পানী, ফোৰণৰ বাবে তেজপাত, মিঠিগুটি, কালজিৰা, কেঁচা জলকীয়া।**

**প্ৰণালী ঃ** দীঘল ঠাৰিৰ পৰা অমিতাৰ ফুলবোৰ সৰু সৰু কলিৰে সৈতে ছিঙি ভালদৰে ধুই পানী নিগৰিবলৈ এখন চালনিত থ'লোঁ। অমিতা ফুলৰ উক্ত তিতা আঁতৰাবলৈ এটা পাত্ৰত ফুলবোৰ ডুব যোৱা পানীত নিমখ $^1/_4$ চামুচমান দি সিজালোঁ আৰু উতলা পানীত সিজি ফুলবোৰ কোমল হোৱাত পানীৰ পৰা টুকি এটা খৰাহীত থ'লোঁ। আলু মিহি মিহিকৈ কাটি কণমান নিমখ পানীত তিয়াই ৰাখিলোঁ। মাহ গুটিকেইটাও ছেইৰ পৰা উলিয়াই ল'লোঁ। অলপ গৰম পানীত খাজুৰীকেইটা তিয়াই গুটি পেলাই সাহখিনি মোহাৰি ল'লোঁ। এইবাৰ গৰম কেৰাহীত তেল ঢালি এবিধ এবিধকৈ তেজপাত, মিঠিগুটি, কালজিৰা দি মচলা ফুটিলত কাটি ৰখা আলু দি ভালদৰে লৰাই বেঙেনা আৰু মিথিগুটিও দি একেলগে ভাজিলোঁ। নিমখ-হালধিও ওপৰত ছটিয়াই ভালদৰে লৰাই ঢাকোন দি থ'লোঁ। মাজে মাজে লৰাই চাই আধা ভজা হলত ফুলখিনি ঢালি ভালদৰে লৰাই সিজিবলৈ ঢাকোন দিলোঁ। ফুলখিনি মাজে মাজে চাই লৰাই থাকিলোঁ। উতলিলত খাজুৰি পানী ঢালি কেঁচা জলকীয়াও দুফালকৈ দি ভালদৰে সিজিবলৈ পুনৰ ঢাকোন দিলোঁ। ফুলখিনি কুমলি পানী শুকাই ভাজিখন মজিলত চৌকাৰ জুই নুমালোঁ আৰু কিছুসময় গৰম চৌকাতে ৰাখি এটা পাত্ৰত কাঢ়ি থ'লোঁ।

### মূলাৰে শ'ল মাছ

**উপকৰণ ঃ** শ'ল মাছ, আলু, কণী বেঙেনা, কেঁচা মটৰ মাহ, পকা বা কেঁচা জলকীয়া, জিৰা, ধনিয়া, আদা, জালুকৰ গুড়ি, ফোৰণৰ বাবে তেজপাত, ডালচেনি, কালজিৰা, নিমখ, হালধি গৰম পানী।

**প্ৰণালী ঃ** শ'ল মাছটো বাছি-কাটি ধুই নিমখ-হালধি আৰু নামমাত্ৰ মিঠাতেল সানি এটা পাত্ৰত থ'লোঁ। মূলা আৰু আলুৰ বাকলি গুচাই ধুই টুকুৰা-টুকুৰকৈ কাটি ল'লোঁ। বেঙেনাত ধুই চকলিয়াই নিমখ পানীত কিছুসময় তিয়াই থৈ খাৰ যোৱাত ভাল পানীৰে ধুই টুকি ল'লোঁ। জিৰা, ধনিয়া, আদা, হালধি গুড়ি একেলগে পিহি ল'লোঁ। এইবাৰ গৰম কেৰাহীত তেল ঢালি মাছখিনি ভাজি ল'লোঁ। মাছ ভাজি ৰৈ যোৱা তেলকণতে এবিধ এবিধকৈ তেজপাত, ডালচেনি, কালজিৰা ফোৰণ দি ফুটিলত জিৰা-ধনিয়া আদি বটাও দি হেতাৰে ক্ষন্তেক লৰাই ভাজিবলৈ ঢাকোন দিলোঁ। অলপ ভজা হলত বেঙেনাও দি লৰাই-চৰাই অনুপানখিনি ভালদৰে মিহলি কৰি সিজিবলৈ ঢাকোন দিলোঁ। মাজে মাজে ঢাকোন খুলি চাই লৰাই-চৰাই পাচলি ভালদৰে সিজিলত ভজা মাছখিনি দি পুনৰ হেতাৰে লৰাই দিয়াৰ পিছত একেলগে সকলোখিনি মিহলি হৈ কেৰাহীৰ তল শুকাই অহাত প্ৰয়োজনীয় গৰম পানী ঢালি সিজিবলৈ ঢাকোন দিলোঁ। উতলিলত পকা জলকীয়া (গুটি গুচোৱা) ওপৰত দুফালকৈ কাটি দিলোঁ। সকলোখিনি ভালদৰে সিজি আঞ্জাখন ডাঠ হোৱাত ওপৰত জালুকৰ গুড়ি ছটিয়াই চৌকাৰ জুই নুমাই ক্ষন্তেক গৰম চৌকাতে পাত্ৰটো তুলি থ'লোঁ। মহাপুৰুষ শংকৰদেৱে ধৰ্মীয় বিষয়ৰ লগতে তেওঁৰ অমূল্য কথা গুৰুচৰিত পুথিত অসমীয়াৰ খাদ্যাভাসৰ বিষয়ে শ'লে-মূলে আৰু মাগুৰে-পালেঙে ৰন্ধা সুস্বাদু ব্যঞ্জনৰ কথা উল্লেখ কৰি গৈছে।





◻ জুৰি বৰঠাকুৰ

প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ হৈ ভৱেশ চন্দ্ৰ ডেকাৰ দ্বাৰা বৰাগাঁও, গুৱাহাটী-৩৩, মৰাণ-ডিব্ৰুগড়, বিশ্বনাথ চাৰিআলি আৰু আগিয়া, গোৱালপাৰাৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত ◻ যোগাযোগৰ ঠিকনা ঃ নিউজ লাইভ বিল্ডিং, খ্ৰীষ্টানবস্তি, গুৱাহাটী- ৫
Published and Printed by Bhabesh Chandra Deka on behalf of Pride East Entertainment (P) Ltd. Boragaon-Guwahati, Moran-Dibrugarh, Biswanath Chariali, Agia-Goalpara, Office Address : News Live Building, Christian Basti, Guwahati-5, Executive Editor : Amal Das , Editor : Naresh Kalita
◻ ফোন ঃ গুৱাহাটী (০৩৬১) ২৩৪০৯০০/২৩৪১২০১/২৩৪১২০২ ◻ যোৰহাট ঃ (০৩৭৬) ২৩০০১৪৪ ◻ ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৬৭৬৮ ◻ ই-মেইল ঃ niyamiyabarta@gmail.com, বিজ্ঞাপন বিভাগৰ ই-মেইল ঃ niyamiyaadvt@prideeast.com
◻ কাৰ্যবাহী সম্পাদক ঃ অমল দাস ◻ সম্পাদক ঃ নৰেশ কলিতা